চান্দমামা

ডিচেম্বৰ ১৯৮৬

"অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!"

–ফেভিফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহম্ম
হাত বহি গৈ শেষত হবগৈ
এজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

সূৰ্য্যমুখী ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী", পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

সূৰ্য্যমুখী ফুল ধাপে ধাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: "ফেভি ফেইৰী" পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ______________________

বয়স: ______________________

ঠিকনা: ______________________

____

চহৰ: ______________________

ৰাজ্য: ______________ পিন: ______________

তোমাৰ মাহেকীয়া আৰ্চেল ফেভিক্ৰাফ্ট পালানে? হয়/নহয়

®

ফেভিকল এম-আৰ

চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

® দুয়ো [logo] আৰু **ফেভিকল** ব্ৰাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰা: লি:, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক

OBM-8527 AS

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত!
…াৰমেন্ট আৰু
…য়াৰমেন্টৰ সতেজ সজীৱ
…মেজ। বঢ়িয়া ফৰ্মূলাৰ
…মিষতে বিয়পি পৰা ফেনেৰে
…াত চিকচিকীয়াকৈ,
…ৰিস্কাৰ কৰে, নিশ্বাসত
…ন্ধ সুগন্ধ।
…তুন পণ্ডচ টুথপেষ্টৰে দাঁত
…হিবলৈ অকণো আমনি
…লাগে, বৰং ভালহে লাগে।
চাব, সৰু সৰু ল'ৰা-
ছোৱালীয়ে এই টুথপেষ্টৰে
দাঁত ঘঁহিবলৈ বৰ ভাল পাব।
আজিয়েই নতুন পণ্ডচ
টুথপেষ্ট কিনক।
আপোনাৰ জীৱনৰ
প্ৰতিটো পুৱা হৈ
উঠক সুন্দৰ,
সাৰ্থক।
Pond's
TOOTHPASTE
Pond's
TOOTHPASTE
বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত ...
... বৰ সহজেই দাঁতৰ ময়লা আৰু লুকাই থকা খোৰাকবোৰৰ টুকুৰা চাফা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।
নতুন
পণ্ডচ
টুথপেষ্ট
সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

সৌৰভ গোস্বামী
২৬/১২/৮৬

চান্দমামা

ডিছেম্বাৰ ১৯৮৬

এই সংখ্যাত আছে

পাপীৰ মন পিঠাত	:	১১
মুখাপেক্ষী	:	১৬
জ্বাল্লা দ্বীপ	:	১৯
কৰ্তব্য	:	২৭
আমাৰ দ'ল-দেৱালয়	:	৩৫
দোষী-নিৰ্দোষী	:	৩৯
উত্তৰ-ৰামায়ণ	:	৪৩
ঘমঘণ্ট	:	৫১
দানপত্ৰ	:	৫৭
চুলুঙালিৰ চুণ-খাৰ	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, উৰ্বশী, প্ৰাকৃতিক বিস্ময় ইত্যাদি।

A BRIGHT NEW TRADITION IS BUILT
by
THE READERS OF

THE HERITAGE



The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE

* THE HERITAGE reveals the fourth dimension of life to you—through series like "*The Other Experience*" and "Fables and Fantasies for Adults".
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, *novels* and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

FEATURES AND FICTION FOR TODAY AND TOMORROW

নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক। দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।



আপোন কৰি লওক ক'লগেটৰ সুৰক্ষা চক্ৰ!

ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে
আপোনাৰ পৰিয়ালক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস-প্ৰশ্বাস।
সেইটোৱেই হ'ল ক'লগেটৰ সুৰক্ষা চক্ৰ।

প্ৰতিবাৰেই আপুনি দাঁত ঘহোঁতে ক'লগেটৰ নিৰ্ভৰযোগ্য ফৰমূলাই এনেদৰে ক্ৰিয়া কৰে:



নিশ্বাসৰ দুৰ্গন্ধ আৰু দাঁতৰ ক্ষয়ৰোগ সৃষ্টি হয় দাঁতৰ ফাকত লাগি থকা খাদ্যৰ টুকুৰাবোৰৰ পৰা।



ক'লগেটৰ অদ্বিতীয় সক্ৰিয় ফেনবোৰ দাঁতৰ ফাকবোৰলৈকে সোমাই গৈ এই দুৰ্গন্ধ সৃষ্টিকাৰী খাদ্যৰ টুকুৰাবোৰ আঁতৰাই আৰু ক্ষয় ৰোগৰ সৃষ্টিকাৰী বীজাণু দূৰ কৰে।



ক'লগেটৰ দৈনন্দিন ব্যৱহাৰে আপোনাক দিয়ে সুস্থ সবল দাঁত, নিৰ্মল শ্বাস প্ৰশ্বাস।

আপোনাৰ পৰিয়ালৰ সকলোৱেই যাতে প্ৰতিবাৰেই খোৱাৰ পিচত ক'লগেটেৰে দাঁত ঘহে সেইবিষয়ে নিশ্চিন্ত হওক।
নিশ্বাসৰ দুৰ্গন্ধ দূৰত ৰাখক,
দাঁতৰ ক্ষয়ৰোগ ৰোধ কৰক।
আপোন কৰি লওক
ক'লগেটৰ সুৰক্ষা চক্ৰ।

84-55 Asm

আপুনি মুগ্ধ হ'ব
এই মিন্টি সোৱাদত!

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

চান্দমামাৰ 'ফটো-নামকৰণ' প্ৰতিযোগিতালৈ যোগদান কৰোঁতে নিম্নলিখিত বিষয়সমূহলৈ লক্ষ্য ৰাখিব। এক: কোন সংখ্যাৰ বাবে প্ৰতিযোগিতা, সেই সংখ্যাৰ উল্লেখ; দুই: প্ৰতিযোগীৰ নাম আৰু সঠিক ঠিকনা; তিনি: প্ৰতিযোগীৰ বয়স; চাৰি: এজন প্ৰতিযোগীয়ে একাধিক কাৰ্ড নপঠাব; পাঁচ: এই বিষয়ে কোনোবিধৰ পত্ৰালাপ কৰাৰ চেষ্টা নকৰিব। আৰু যিমান শীঘ্ৰে সম্ভৱ প্ৰতিযোগিতালৈ যোগদান কৰিবলৈ অনুৰোধ জনোৱা হৈছে। সদৌটিলৈ আন্তৰিক শুভেচ্ছা আৰু সম্প্ৰীতিৰে।

অমৰ-বাণী

তাবদ্ ভয়স্ত ভেতব্যম্ যাবদ্ ভয়ম্ নাগতম্।
আগতম্ চ ভয়ম্ বীক্ষ্ম নৰঃ কৰ্মাদ যথোচিতম্॥

[বিপদৰ সম্মুখীন হোৱাৰ আগতে ভয় কৰিব পাৰি; কিন্তু বিপদ উপস্থিত হ'লে ভয় নকৰি প্ৰতিহত কৰাহে উচিত।]

বছৰ: ১১ ডিচেম্বাৰ ১৯৮৬ সংখ্যা: ৯

খনে: ২'৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০'০০ টকা



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

জন-বিস্ফোৰণ

ইউ. এন. উইংগৰ প্ৰতিবেদন অনুসাৰে এই শতিকাৰ শেষত কলিকতা. বম্বে আৰু দিল্লি মহানগৰীৰ জনসংখ্যা পৃথিৱীৰ দহখন জনবহুল নগৰৰ অন্যতম হ'ব। বৰ্তমানে মেক্সিক' নগৰৰ জনসংখ্যা হ'ল ১,৮০,০০০,০০ আৰু এই নগৰখন হ'ল পৃথিৱীৰ আটাইতকৈ জনবহুল। ২০০০ খ্ৰিষ্টাব্দত মেক্সিক' মহানগৰীৰ লোকসংখ্যা হ'বগৈ ২,৬৩,০০০.০০ আৰু ছাও পাওলো মহানগৰীৰ জনসংখ্যা হ'ব ২,৪০,০০০,০০। উত্তৰ জাপানৰ টোকিঅ'-ইয়াক'হামা অঞ্চলৰ লোকসংখ্যা হ'ল ১,৭১,০০০,০০ আৰু ইয়েই হ'ব পৃথিৱীৰ তৃতীয় জনবহুল নগৰ।

পংগুৱে লংঘিলে গিৰি

যশ্বিঅ' ফুকুচি নামৰ ৪২ বছৰীয়া মানুহ এগাৰাকী দুৰ্ঘটনাত পৰি পংগু হৈ পৰিছিল। তেওঁ হাতত বৰফৰ জোতা পিন্ধি তেওঁৰ বন্ধু আৰু শ্বেৰ্‌পাইতৰ সহায়ত হিমালয়ৰ চূড়ালৈ উঠিছিলগৈ। প্ৰতিবন্ধী হোৱা সত্বেও জাপানৰ বুজি পৰ্বতত আৰোহণ কৰিছিল।

গোঁফৰ গলাগোপা

কেলিফ'ৰ্নিয়াৰ ন্যু হাল অঞ্চলৰ জিম মিছেল নামৰ গোঁফাল মানুহজনৰ গোঁফৰ দীঘ হ'ল মুঠেই সোতৰ ছেন্টিমিটাৰ। যোৱা পাঁচ বছৰ ধৰি মিছেলে তেওঁৰ গোঁফৰ যত্ন কৰাত পৃথিৱীৰ বাইজে তেওঁৰ গোঁফৰ গুণ-গ্ৰহণ কৰা দেখা গৈছে।

কল্যাণ

সুপ্ৰাচীন কালত ইন্দ্ৰই নাৰায়ণৰ তপস্যা ভংগ কৰিবলৈকো অপ্সৰাইঁত'ক প্ৰেৰণ কৰিছিল। কোনে আৰু কিয় অপ্সৰাইঁতক পঠালে—সেই কথাৰ ভু ল'বলৈ নাৰায়ণে অপ্সৰাইঁততকৈয়ো ৰূপৱতী এগৰাকী তৰুণীক সৃষ্টি কৰিলে। এই অপৰূপ সুন্দৰী তৰুণীক দেখি, লাজ পাই, অপ্সৰাইঁ'ত তাৰপৰা গুচি গ'ল। উৰুৰপৰা সৃষ্টি হোৱাত এই তৰুণীৰ নাম হ'ল উৰ্বশী। পৰৱৰ্তীকালত উৰ্বশী ইন্দ্ৰৰ ৰাজসভাৰ অন্যতম শিল্পীৰূপে পৰিগণিত হৈছিল।

এবাৰ ভূলোকৰপৰা মহাৰাজ পুৰূৰৱ দেৱসভালৈ গৈ, উৰ্বশীৰ নৃত্য চাই মুগ্ধ হৈ, উৰ্বশীক বিবাহ কৰালে। বিবাহৰ পাছত উৰ্বশী ভূলোকতে বসবাস কৰি থাকিল।

কেইবছৰমানৰ অন্তত দেৱগণে উৰ্বশীৰ অভাৱ অনুভৱ কৰি উৰ্বশীক পুনৰ দেৱলোকলৈ লৈ আহিবলৈ মন্ত্ৰণা কৰি এক ধুমুহাৰ নিশা কেইজনমান গন্ধৰ্বক ভূলোকলৈ পঠিয়াই উৰ্বশীৰ অতিকে' মৰমৰ হৰিণা পোৱালি কেইটিমানক চুৰি কৰাই অনালে। তাৰ ফলত উৰ্বশী দেৱলোকলৈ যাবলৈ বাধ্য হ'ল।

ইপিনে—উৰ্বশীক নাপাই মহাৰাজ পুৰূৰৱ বলিয়াহেন হৈ উঠিল। তাৰ পাছত, সম্বাদ পাই, তেওঁ দেৱলোকলৈ গ'ল আৰু পুনৰ উৰ্বশীক ভূলোকলৈ ওভোতাই লৈ আহিল।

পাপীৰ মন পিঠাত

লাওপুৰৰ লালোৰাম দেখাই-মেলাই লেবা যেন লাগিলেও আচলতে আছিল বৰ লুভীয়া। এবাৰ সি টান বেমাৰত পৰিল। কোনো দৰবে গুণ নিদিয়া হ'ল। লালোৰামৰ মাকে লালোৰামক ক'লে, "বোপা, তোৰ দেউতাৰ এতিয়া চাগৈ স্বৰগত আছেগৈ। তেওঁকো এই একেটা বেমাৰে ধৰিছিল। কোনো দৰবেই গুণ নিদিয়া হৈছিল। তাৰ পাছত তেওঁ এগৰাকী সৎ ব্ৰাহ্মণক এজনী গাই দান কৰিলে, আৰু লগে লগে তেওঁৰ বেমাৰো নাইকিয়া হ'ল।"

টান বেমাৰত লালোডিঙি হোৱা লালোৰামে তাৰ মাকক ক'লে, "বেমাৰৰ লগতনো গো-দানৰ সম্পৰ্ক কি? হঠাৎ তুমিনো এনেবোৰ কথাৰ বকলা মেলিলা কিয়?" গাই এজনীৰ দাম যে কিমান হ'ব, লালোৰামে নজনা নহয়।

আৰু—পুতেকে যে ইমান টকাৰে গাই এজনী নিকিনিব, মাকে নুবুজাকৈ নাছিল। সেয়েহে মাকেও ক'লে, "আচল কথা কি জানিছনে বোপা, আমি যিবোৰ পাপ কৰোঁ, সেইবোৰ পাপে বেমাৰৰ ৰূপ ধৰি আমাৰ পিত মাৰেহি। তেতিয়া অলপ দান-ধৰ্ম কৰিলে পুইণ হয়, আৰু পাপৰ বোজা পাতল হৈ পৰে। পিছে—তুমি যে কৰাইচৰো কৰাইচ, জানোৱেই নহয়? তোমাৰ স্বৰ্গী দেউতাৰৰ অতি যোগ্য পুত্ৰ তুমি।"

লালোৰামক তাৰ ঘৈণীয়েকে, ল'ৰা-ছোৱালীহঁতে, আৰু তাৰ লগা-ভগাহঁতেও তাৰ মাকৰ পৰামৰ্শ মানি ল'বলৈ ক'লে।

'বসুন্ধৰা'



ইমানবোৰ মানুহৰ কথা দলিয়াই পেলাব নোৱাৰি লালোৰামে এজন ব্ৰাহ্মণক এটি দামুৰি দান কৰি ক'লে, "হে ব্ৰাহ্মণ, এইজনীয়ে যেতিয়া পোৱালি দিব, সেই পোৱালিটি কিন্তু মোক দিব। মই আপোনাক গো-দান কৰিলোঁ; কিন্তু পোৱালি জগিলে সেই পোৱালি আপোনাৰ প্ৰাপ্য নহ'ব।"

ব্ৰাহ্মণ মানুহজনে খন্তেকপৰলৈ তাপ মাৰি থাকি তাৰ পাছত ক'লে. "বোপা লালোৰাম, তোমাৰ কথা মানি লোৱাত মোৰ হওঁতে কোনো আপত্তি নাছিল; পিছে—এনে নাওমান পোৱালিটিক পিয়ন-ছাৰা কৰিলে পাপ নহ'বনে?"

"চাওক—" লালোৰামে ক'লে, "গৰুৰ বিচাৰ আৰু মানুহৰ বিচাৰ এক নহয়। পোৱালিক পিয়ন-এৰা° কৰিব নাপায়, পাপে ছোৱে; পিছে—গৰু তো মানুহ নহয়, আৰু মানুহো গৰু নহয়। যেই নহওক, পোৱালিটিয়ে যেতিয়া পিয়ন এৰিব, তেতিয়া মোক দিব লাগিব।"

*

লালোৰামৰ বেমাৰ ভাল হ'ল। বহু দিনৰ পাছত বামুণক দান কৰা গাইজনীৰ পোৱালি জগিল। লগে লগে লালোৰাম সেই বামুণমানুহজনৰ ঘৰলৈ গ'ল! বামুণৰ প্ৰশ্নৰ উত্তৰত লালোৰামে ক'লে, "এনেয়ে আহিলোঁ। শুনিলোঁ যে গাইজনীয়ে পোৱালি দিলে—তাকে চাবলৈ আহিলোঁ।"

দহদিনমানৰ পাছত পুনৰ লালোৰাম বামুণ মানুহজনৰ ঘৰলৈ গ'ল। বামুণ মানুহজনে একো নৌসোধোঁতেই লালোৰামে বামুণ মানুহজনক সুধিলে, "গাইজনীয়ে গাখীৰ দিছে নিশ্চয়?"

বামুণ মানুহজনে লালোৰামৰ মন ভাল লগাবলৈ অলপ ডাল-পাত জোৰা লগায়েই ক'লে, "এই গাইজনীৰ তুলনা ন্যই! তাই দিনে কমেও পাঁচসেৰকৈ গাখীৰ দিয়ে।" কিন্তু আচলতে গাইজনীয়ে



হুসেৰমানহে গাখীৰ দিছিল।

বামুণ মানুহজনৰ কথা শুনি লালোৰাম একেবাৰে লালোডিঙি যেন হৈ পৰিল। লালোৰামে ক'লে. "এইৰ গাখীৰ অলপ চাকি চাৱঁইছোন। দিয়কেছোন অলপ মোক। বেছি নালাগে।"

বামুণে ক'লে, "বোপা, এইজনীক দান কৰোঁতে ইমান ভাল মনেৰে যে দান কৰিছিলা! গাইজনীৰ গাখীৰ—গাখীৰ নহয়, স্বৰ্গৰ অমৃত যেনহে লাগে।" বামুণ মানুহজনে তেতিয়াই এলোটা গাখীৰ লালোৰামক খাবলৈ দিলে। লালোৰামে একে শোহাই গাখীৰখিনি পি-খাই ঘৰলৈ উভতি গ'ল, আৰু পাছদিনা বামুণ মানুহজনলৈ এখন চিঠি লিখি পঠালে। চিঠিখনত লিখা আছিল ঃ

'হে ব্ৰাহ্মণ, ইমান দিন ধৰি মোৰ এটা অনাৰোগ্য বেমাৰ আছিল। কিন্তু আপোনাৰ প্ৰদত্ত গাখীৰ এলোটা পি-খোৱাৰ লগে লগে সেই বেমাৰ নোহোৱা হৈছিল ; যদিও, আজি ৰাতিপুৱাতে পুনৰ বেমাৰটোৱে উক্ দিলে। মোৰ অনুৰোধ, মোৰ এই বিশেষ বেমাৰ ভাল নোহোৱালৈকে, দিনে কমেও হুসেৰকৈ গাখীৰ মোলৈ পঠিয়াই মোৰ মহৎ উপকাৰ সাধে যেন। বেমাৰ ভাল হৈ যোৱাৰ পাছত আৰু গাখীৰ পঠাব নালাগে।'

চিঠিখন পঢ়ি বামুণৰ মূৰত বাজ পৰিল। কিন্তু উপায় নাই। বাধ্যত পৰি লালোৰামৰ ঘৰলৈ আটাইখিনি গাখীৰ পঠাবলৈ ধৰিলে তেওঁ।

লালোৰামৰ মাকে লালোৰামক ক'লে, "বোলোঁ শুনিছানে, দান কৰা গাইজনীৰ গাখীৰ খুজি আনিছা—তোমাক কিন্তু পাপে চুব।"

"পাপ কেতিয়াবাই গুচিল, নহ'লে মই বেমাৰৰপৰা ভাল হৈ নুঠিলোহেঁতেন। মোৰ দানৰ পুণ্য অটুট আছে।" লালোৰামে তাৰ মাকক ক'লে।

এতিয়া — গাইজনীৰ খাৰন-লওন, লালন-পালনৰ খৰচ বামুণৰ, কিন্তু গাখীৰখিনি হ'ল লালোৰামৰ—এনে অৱস্থা চলি থাকিল। আৰু তাৰ পাছত এদিন লালোৰামে পুনৰ পাটী ল'লে। এইবাৰ তাৰ মনত প্ৰকৃততেই পাপৰ ভয় সোমাল। সি বামুণৰপৰা আৰু গাখীৰ ননা হ'ল। লালোৰামে তাৰ বেমাৰৰ কিমান যে চিকিৎসা কৰোৱালে; কিন্তু বেমাৰ ভাল নহ'ল।

লালোৰামে ভাবিলে: বামুণৰ গাইজনীৰ গাখীৰ মই তো লোৱা নাই আৰু। গতিকে—মোৰ গো-দানৰ পুণ্য অটুট-অক্ষত থাকিব লাগে। তথাপি বেমাৰ ভাল নহৈছেনো কিয়?

কেইদিনমানৰ পাছত এদিন লালোৰামৰ ঘৰৰ দুৱাৰমুখত থিয় হৈ এজন সাধুবাবাই চিঞৰি কৈ থাকিল: "এই ঘৰত পাপ সোমাল। পাপ গুচোৱা।"

কথাষাৰ শুনি, লালোৰামৰ মাকে সাধুক নৰিয়াপাটীত পৰি থকা লালোৰামৰ ওচৰলৈ লৈ গ'ল। সাধুৱে লালোৰামক পৰীক্ষা কৰি চোৱাৰ অন্তত ক'লে, "তোমাৰ গো-দানৰ পুণ্য নষ্ট হ'ল আৰু ব্ৰাহ্মণৰপৰা অন্যায় ভাৱে গাখীৰ লোৱাত অতিপাত পাপ হ'ল।"

লালোৰামে লেলাই-গেঁথাই ক'লে, "কিয় তেনে হ'ব সাধুবাবা? মোৰ দানৰ গৰু আৰু সেই গৰুৰ গাখীৰ তিনিসেৰকৈ খাই ব্ৰাহ্মণ সুখতে আছে দেখোন। তথাপি কিয় মোৰ পাপ হ'ব লাগে?"

সাধুৱে ক'লে, "তোমাৰ দৰে কৰাইচৰো কৰাইচ পাপীহঁতক শিক্ষা দিবলৈ ঈশ্বৰেই তোমাক বেমাৰত পেলাইছিল। বেমাৰৰপৰা ভাল হৈ উঠিবলৈ তুমি গো-দান কৰিলা, কিন্তু ভাল হৈ উঠাৰ লগে লগে পুনৰ আগৰ দৰে হৈ পৰিলা। তাৰ ফলত আকৌ বেমাৰৰ কবলত পৰিবলগা হ'ল। সদ্‌ব্ৰাহ্মণ ৰামশৰ্মা সদায় ভয়ে

ভয়ে থাকে, তোমাৰ বেমাৰ ভাল হ'লেই অ্যকৌ গাখীৰ খুজি পঠাবা। ৰামশৰ্মাৰ এই ভীতিৰ কাৰণেই তোমাৰ বেমাৰ ভাল হোৱা নাই।"

"তেনেহ'লে — এতিয়া মই কি কৰিম ?" লালোৰামে সাধুক সুধিলে।

"কোনোবা সৎ ব্ৰাহ্মণক পুনৰ গোদান কৰিব লাগিব।" সাধুৱে ক'লে।

"মই আপোনাক গো-দান কৰিম।" লালোৰামে লাক-পাককৈ কৈ উঠিল।

"কিন্তু মই—সাধু হ'লেও জীৱনত সৎ কাম বৰ বেছি কৰা নাই।" সাধুৱে লালোডিডি যেন হৈ লালোৰামক ক'লে।

কিন্তু গাঁওখনত ৰামশৰ্মাৰ বাহিৰে যে আন সৎ ব্ৰাহ্মণ কোন আছে— লালোৰামে ভাবি উলিয়াব নোৱাৰিলে। সাধুৱে লালোৰামৰ মনৰ ভাৱ উমানতে ধৰিব পাৰি ক'লে, "শুনা, তোমালোকৰ গাঁৱত একমাত্ৰ ৰামশৰ্মায়েই পুণ্যৱান। তেৱেঁই সৎ ব্ৰাহ্মণ। তেওঁকে দান কৰাঁ।"

সাধুৰ কথা শুনি লালোৰাম দুঃখিত হোৱা যেন হ'ল। তাৰ অৱস্থালৈ চাই সাধুৱে ক'লে, "শুনা, তোমাৰ দানৰ গাইৰ গাখীৰ বামুণ ৰামশৰ্মাই আন কাৰোবাক দান কৰাহেঁতেন তোমাৰ পুণ্য হ'লহেঁতেন। কিন্তু তুমি কৌশল কৰি সেই গাখীৰ ব্ৰাহ্মণৰপৰা চুৰি কৰি অনা হেতুকে তোমাৰ পাপ হ'ল। এতেকে পাপ গুচাই পুনৰ পুণ্য আৰ্জিবলৈ হ'লে পুনৰ গোদান কৰিব লাগিব আৰু এইবোৰ কূট-কৌশলবোৰ এৰিব লাগিব।"

সাধুৰ পৰামৰ্শমতে লালোৰামে কৌশল কৰি গাখীৰ লোৱাৰ কাৰণে সেই ব্ৰাহ্মণৰ-পৰা ক্ষমা ভিক্ষা কৰিলে আৰু পুনৰ গোদান কৰিলে। তাৰ ফলত লালোৰাম ৰোগ-মুক্ত হ'ল আৰু লগতে লোভ-কৃপণতা আদি এৰি এক আনন্দময় জীৱন যাপন কৰিব পৰা হ'ল।



মুখাপেক্ষী

দেশৰ নাম জয়সাগৰ, ৰজাৰ নাম ৰত্নদেৱ। ৰজা ৰত্নাদেৱৰ অশ্বপ্ৰীতি আছিল অতি প্ৰবল। তেওঁ ঘোঁৰাশালত আৰব, পাৰস্যৰ, ঘোঁৰাৰ বাহিৰেও অন্যান্য দেশৰ ঘোঁৰাও আছিল।

ৰজা ৰত্নদেৱৰ ঘোঁৰাশালৰ ঘোঁৰা-বিলাক আছিল সুদক্ষ। এইবিলাক ঘোঁৰাক ৰজাই বিভিন্ন ধৰণে প্ৰশিক্ষণ দিয়াইছিল। কেৱল ভালৰো ভাল ঘোঁৰা নহয়, তেনেকুৱা চহিচৰ সা-সন্ধান পালেও ৰজাই যেনেতেনে তেওঁৰ ৰাজ্যলৈ অনাই-ছিল আৰু কামত নিযুক্ত কৰিছিল।

এদিন এজন চোৰাংচোৱাই ৰজাক ক'লে, "মহাৰাজ, অলপ সময়ৰ আগতে মই এজন ঘোঁৰা-চোৱাৰীৰ লগত কথা পাতিলোঁ। সি বৈশালীৰ ৰজাৰ ওচৰলৈ গ'ল। একেৰাহে দুদিন-দুনিশা ঘোঁৰাৰ পিঠিত উঠি যোৱাৰ অভ্যাস আছে তাৰ। বৈশালীৰ ৰজাৰ ওচৰলৈ যাওঁতে বিষ্ণুপুৰত সি হেনো এক সপ্তাহ থাকিব। তাত তাৰ বন্ধুৰ বিয়া পতা হৈছে হেনো।"

এই কথা শুনি ৰজা ৰত্নদেৱে উত্তেজিত হৈ ক'লে, "ঠিক এনে ধৰণৰ এজন চোৱাৰীক মই বহুদিনৰেপৰাই বিচাৰি আছোঁ। মোৰ চোৱাৰীহঁতৰ মাজত ইমান দক্ষ এজনো নাই। এনেকুৱা এজন চোৱাৰীক মোৰ অধীনত কামত লগাব পাৰোঁ যদি, মোৰ নাম-খ্যাতি দেশে দেশে বিয়পি পৰিব।"

চোৰাংচোৱাক বিদায় দি ৰজাই তেওঁৰ মহামন্ত্ৰীক মতাই অনাই ক'লে, "আপুনি আমাৰ প্ৰধান চহিচক এতিয়াই বৈশালী-

হৰষিত ভাগৱতী

দেশৰ বিষ্ণুপুৰলৈ পঠাওক। সেই চোৰাৰীক যেনেতেনে বুজাই-বৰাই আমাৰ ইয়ালৈ লৈ অহাৰ ব্যৱস্থা কৰিব লাগে।"

মহামন্ত্ৰীয়ে কেইখন্তেকমান নিমাতে থকাৰ অন্তত কিবা কবলৈ ধৰোঁতেই ৰজাই আস্ত-ব্যস্ত হৈ কৈ উঠিল, "মহামন্ত্ৰী, আৰু মুহূৰ্তমান সময়ো নষ্ট নকৰিব। মোৰ আদেশ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লওক। সেই চোৰাৰীজনক যে স্বয়ং ময়েই আমন্ত্ৰণ জনাইছোঁ বুলি তাক কয় যেন। চোৰাৰীক মাহেকত এশ স্বৰ্ণমুদ্ৰা দিয়া হ'ব বুলিও যেন কয়গৈ।"

এই বিষয়ত ৰজাক দিহা-পৰামৰ্শ দি যে একো লাভ নহ'ব—মহামন্ত্ৰীয়ে সেই কথা বুজি পাই ৰজাৰ নিৰ্দেশমতে প্ৰধান চহিচক বিষ্ণুপুৰলৈ পঠালে।

প্ৰধান চহিচে সেই চোৰাৰীক বিষ্ণুপুৰৰপৰা লৈ আহিলগৈ, আৰু মাহেকত এশ সোণৰ মুদ্ৰা দৰমহাৰ পৰিৱৰ্তে ৰজা ৰত্নদেৱৰ অধীনত কাম কৰিবলৈকো সি তৎক্ষণাৎ মান্তি হ'ল।

নতুন চহিচ তথা চোৰাৰীজনে ৰজা ৰত্নদেৱক ক'লে, "মহাৰাজ, বৈশালীৰ মহাৰাজে মোক মাতি পঠিয়াইছিল, তেওঁৰ অধীনত কাম ল'বলৈহে মই তালৈ গৈ আছিলোঁ। তাৰ পাছত হঠাৎ আপোনাৰ কটকীৰ হতুৱাই আপোনাৰ আমন্ত্ৰণ পাই মত সলাই তুৰন্তে ইয়ালৈ



গুচি আহিলোঁ।

ৰজা ৰত্নদেৱে নতুন চহিচৰ কথা শুনি বৰ ভাল পালে আৰু মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, আমাৰ যিজন অশ্বাৰোহীক পঠিয়াইছিল বিষ্ণুপুৰলৈ, তাক মূল্যৱান উপহাৰ দিয়াৰ বন্দৱস্ত কৰক।"

এই কথাৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আমাৰ চহিচ অনন্তই একেৰাহে তিনিদিন-তিনি নিশালৈ ঘোঁৰা চেঁকুৰাই নিৰ্দিষ্ট সময়ৰ ঢেৰ আগতেই বিষ্ণুপুৰ পাইছিলগৈ। এই বাতৰি পাই, বৈশালীৰ মহাৰাজে আমাতকৈ দুগুণ দৰমহা দি অনন্তক লৈ গ'ল। এই খবৰটো ক'বলৈহে মই আপোনাৰ কাষ চাপিলোঁহি এতিয়া।"

মহামন্ত্ৰীৰ কথা শুনি বিস্মিত-বিমূঢ় ৰজা ৰত্নদেৱে ক'লে, "আমাৰ নিজৰ দেশতে ইমান ক্ষমতাৱান অশ্বাৰোহী থকা সত্বেও সেই কথাৰ ভু নাৰাখি মই অধিক দৰমহাৰে আন দেশৰপৰা কম ক্ষমতাসম্পন্ন অশ্বাৰোহী অনাইছোঁনে! মহামন্ত্ৰী, এই কাম দেখোন অতি অনুচিত কাম হৈছে!"

মহামন্ত্ৰীয়ে ক'লে, "ময়ো আপোনাৰ কথাত একমত, মহাৰাজ!"

"তেনেহ'লে এতিয়াৰপৰা এটা কাম কৰা যাওক। আমাৰ দেশৰ চহিচ-চোৱাৰীহঁতৰ মাজত প্ৰতিযোগিতা পতা হওক। এই প্ৰতিযোগিতা বছৰেকত দুবাৰকৈ পতা হ'লেও ক্ষতি নাই। শ্ৰেষ্ঠ চহিচ-চোৱাৰীহঁতক জোখে-জোখাৰে পুৰস্কৃত কৰা হ'ব।" ৰজা ৰত্নদেৱে ক'লে।

এনে প্ৰতিযোগিতা কেইবাবাৰো পতাৰ অন্তত ৰজা ৰত্নদেৱে এই কথা অনুধাৱন কৰিব পাৰিলে যে—তেওঁৰ নিজৰ দেশতে বিভিন্ন দেশত থকা শ্ৰেষ্ঠ চোৱাৰীহঁতৰ সমকক্ষ ভালেমান চোৱাৰী আছে।

এই ঘটনাৰ পাছৰপৰা দক্ষ চোৱাৰী-চহিচৰ বাবে ৰজাই কেতিয়াও বিদেশৰ মুখাপেক্ষী হ'বলগীয়া নহৈছিল।

জ্বালাদ্বীপ

৬

রজা চিত্রসেন
নিজ ৰাজ্যলৈ উভতি যাবলৈ
ধৰোঁতেই উগ্ৰাক্ষৰ দুটা অনুচৰে চিত্ৰসেনক
পুনৰ উগ্ৰাক্ষৰ ওচৰলৈ ওভোতাই লৈ গ'ল।
উগ্ৰাক্ষৰ ওচৰলৈ যোৱাৰ পাছত উগ্ৰাক্ষই গছৰ মূধত
থকা এটা জ্বালাদ্বীপবাসীক নমাই আনিবলৈ চিত্ৰসেনক
অনুৰোধ কৰিলে। ৰজা চিত্ৰসেনৰপৰা অভয় পাই গছৰ মূধত
জ্বালাদ্বীপবাসী অমৰপাল নামি আহিল আৰু জ্বালাদ্বীপৰ সম্পৰ্কে বহুতো
তথ্যপাতি দিলে। কিন্তু হঠাৎ অমৰপাল নিমাত হৈ পৰিল আৰু সভয়দৃষ্টি
মেলি দূৰ আকাশলৈ বিস্ময়-বিস্ফাৰিত দৃষ্টিৰে চাই ৰ'ল। আৰু তাৰ পাছত……

অমৰপালে সভয় দৃষ্টি মেলি আকাশলৈ একেথিৰে চাই থকাত ৰজা চিত্ৰসেনেও আকাশলৈ তেওঁৰ অবাক দৃষ্টি মেলি দিলে। অস্থিৰ উগ্ৰাক্ষই তেওঁৰ টাঙোনটো দাঙি ধৰি অমৰপালক ক'লে, "কথা কি, কোৱাচোন? তুমি তেনেকৈ আকাশলৈ চাই আছা কিয়? এই টাঙোনেৰে তোমাৰ মূৰত এমাৰ মাৰিলেই তোমাৰ এইবোৰ ভাকি-ভুকা নোহোৱা হ'ব। এইবোৰ ভাও নিদিবা।"

'চান্দমামা'



অমৰপালে উগ্ৰাক্ষৰ কথাত অলপো ভয় নকৰি মিচিকীয়াই হাঁহি মাৰি ক'লে, "মই যদি মৰোঁ, তোমাৰো দিন চমু চাপি আহিব। কপিলপুৰ-আক্ৰমণকাৰী নাগবৰ্মাৰ বিষয়ে তুমি নিশ্চয় জানা? তাক সেই জ্বালাদ্বীপবাসীহঁতে আৰু সেই বিকট চৰাইবোৰে সহায় কৰিছে। সেই চৰাইবোৰে তোমাক ক্ষত-বিক্ষত কৰিলে। এই চিনবোৰ কিন্তু হাজাৰ চেষ্টাতো মচি পেলাব নোৱাৰিবা, মনত ৰাখিবা।"

দক্ষিমৰা কথা শুনি উগ্ৰাক্ষৰ উগ্ৰ খং উঠিল। উগ্ৰাক্ষই খণ্ডতে টাঙোন জোকাৰি অমৰপালক আঘাত কৰিবলৈ ধৰোঁতেই চিত্ৰসেনে দুয়োজনৰ মাজত থিয় হৈ কৈ উঠিল, "উগ্ৰাক্ষ, ৰ'বা!"

"এই আহাৰ ছেদ হোৱা অজল-ভেহীয়াটোৱে মোক বিদ্ৰূপ কৰিছে। মই ইয়াক জবাই কৰি চোবাই খাম।" উগ্ৰাক্ষ ইউগ্ৰভাৱে কৈ উঠিল।

"শুনা, মোৰ ধাৰণা, অমৰপালে আমাক ভালেখিনি সহায় কৰিব পাৰিব। সি যদি আমাক সহায় নকৰা হয়, তেতিয়া তুমি তাক যি ইচ্ছা কৰিবা, মই বাধা নিদিওঁ।" চিত্ৰসেনে উগ্ৰাক্ষক ক'লে।

চিত্ৰসেনৰ কথা শুনি অমৰপালে ভয় খাই কৈ উঠিল, "মহাৰাজ, আপোনাৰপৰা প্ৰতিশ্ৰুতি পাইহে মই গছৰপৰা নামি আহিলোঁ, নহ'লে আত্মঘাতী হ'লোহেঁতেন।"

"মোৰ প্ৰতিশ্ৰুতিত আস্থা ৰাখিব পাৰা। কিন্তু তুমি যদি আমাক একো নোকোৱা, ৰহস্যময় দৃষ্টি মেলি কেৱল আকাশলৈ চাই থাকা, তেনেহ'লে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা মোৰ পক্ষেওবা কেনেকৈ সম্ভৱ?" চিত্ৰসেনে ক'লে।

"মোক ক্ষমা কৰক, মহাৰাজ! এই মুহূৰ্তৰপৰা মই আপোনাৰ সেৱক বুলি বিশ্বাস কৰিব পাৰে। ৰাজদ্ৰোহী নাগবৰ্মাৰ প্ৰতি মোৰ অলপো দুৰ্বলতা নাই। আৰু—নিষ্ঠুৰ অত্যাচাৰী জ্বাল্যদ্বীপবাসীহঁতৰ প্ৰতি



মই প্ৰথমৰেপৰাই বিৰূপ, যদিও নাগবৰ্মাৰ আদেশ মতে মই সিহঁতৰ লগত যোগ দিবলৈ বাধ্য হৈছিলোঁ।” অমৰপালে ক'লে।

ধৰলগিৰি আক্ৰমণ কৰিবলৈ যাওঁতে নাগবৰ্মাৰ লগত সেই বিকট চৰাইবোৰ বা জ্বালাদ্বীপবাসীহঁতো আছিলনে বাৰু?” চিত্ৰসেনে সুধিলে।

“আছিল কিজানি, মহাৰাজ, থাকিব পাৰে। কপিলপুৰৰ অৰণ্যত কমেও এশ সেই বিকট চৰাই আছে, সিহঁতক চোৱা-মেলাৰ বাবে ৰখীয়া আছে। নাগবৰ্মাই তাৰ কিছুমান প্ৰজাক জ্বালাদ্বীপবাসীহঁতক দিলে কাম-বন কৰিবলৈ। মুঠতে—ক্ৰীতদাস হিচাপেহে দিলে। সেই কাৰণেই জ্বালাদ্বীপবাসীহঁতে সকলোফালৰেপৰাই নাগবৰ্মাক সহায় কৰে।” অমৰে ক'লে।

“অমৰপাল, ইমানপৰ ধৰি যিখিনি ক'লা, ভয়ৰ কথাকে ক'লা। এতিয়া কোৱাঁ, সেই ভয়ানক চৰাইবিলাকক মাৰি পেলোৱাৰ উপায় কি?” উগ্ৰাক্ষই অলপ কোমল কাটি সুধিলে।

“উপায় — নথকা নহয়। আছে। আচল সমস্যা হ'ল সেই চৰাইবিলাকৰ নাক আৰু নখ। এই অংগ দুটাক এৰাই কেনেবাকৈ সিহঁতৰ ডিঙি কাটিব পাৰিলেই হ'ল। ইহঁতৰ আৰু আন চৰাইহঁতৰ ডিঙিৰ মাজত সিমান একো পাৰ্থক্য নাই।” অমৰপালে ক'লে।

“বঢ়িয়া! বঢ়িয়া!” উগ্ৰাক্ষই অট্ট-হাঁহিৰে গগন কঁপাই কৈ উঠিল, “এইবাৰ জ্বালাদ্বীপিয়াহঁতক যদি পাওঁ, সিহঁতক নাকনি-কাননি খুৱাইহে এৰিম!”

এনেতে কিছুমান প্ৰজাই চিঞৰি-বাখৰি লৰৰি-ধাপৰি তালৈ আহিল আৰু চিত্ৰসেনক ক'লে, “মহাৰাজ! আমাক বচাওক! আমি সৌ বৰগছজোপাৰ ওচৰে-পাঁজৰে গৰু-ম'হ চৰাই থাকোঁতে হঠাৎ সেই ভয়ংকৰ চৰাইবোৰে আমাক আক্ৰমণ কৰিলেহি। সিহঁতৰ লগত আছিল কিছুমান



বাঘৰ ছাল পিন্ধা মানুহ। সিহঁতে আমাৰ গৰু-ম'হবিলাকক খেদি লৈ যাব ধৰিছে!"

কিছুমান ৰাক্ষস অনুচৰেও উগ্ৰাক্ষক একেইবোৰ কথা ক'লে। সিহঁতৰ মাজত আটাইবোৰেই গৰখীয়া নহ'বো পাৰে; সিহঁতৰ মাজত কিছুমান গৰু চোৰো থাকিব পায়। তথাপি—বাঘৰ ছাল পিন্ধা জ্বালাদ্বীপিয়াবিলাকৰ কথা শুনি উগ্ৰাক্ষ মনমৰা হৈ পৰিল।

উগ্ৰাক্ষই আগ্ৰহহীনভাৱে চিত্ৰসেনক সুধিলে, "চিত্ৰসেন, আমি গৰু-ম'হবিলাকক ৰক্ষা কৰিবলৈ যাওঁনে তালৈ?"

"নগ'লেওবা উপায় কি? মোৰ প্ৰজাহঁতৰ ওপৰত অত্যাচাৰ চলি থাকিলে মই নীৰৱদৰ্শক হৈ থাকিমনে? প্ৰজাহঁতক ৰক্ষা কৰিবলৈ কিবা এটা নিশ্চয় কৰিব লাগিব।" এই বুলি কৈ চিত্ৰসেনে আগবাঢ়িবলৈ ধৰিলে।

উগ্ৰাক্ষ আৰু অন্যান্য অনুচৰ তথা প্ৰজাবৰ্গ চিত্ৰসেনৰ পিছে পিছে গৈ থাকিল। কিছুদূৰলৈ আগুৱাই যোৱাৰ অন্তত অমৰপালে চিত্ৰসেনক ক'লে, "মহাৰাজ! মোৰ এটি নিবেদন আছে। মোৰ ধাৰণা, জ্বালাদ্বীপিয়াহঁত—সিহঁতৰ কৰিবলগাখিনি কৰি—ইতিমধ্যে পলাল। যদি এতিয়ালৈকো পলোৱা নাই, তথাপি, সিহঁতৰ কোনো অনিষ্ট আমি কৰিব নোৱাৰিম। সেই বিকট-ভয়ংকৰ চৰাইবোৰ সিহঁতৰ লগত থকালৈকে আমি সিহঁতৰ কোনোবিধৰ অনিষ্ট কৰিব নোৱাৰিম।"

অমৰপালৰ কথা সমৰ্থন কৰি উগ্ৰাক্ষই ক'লে, "চিত্ৰসেন, অমৰপালৰ কথাখিনি সঁচা কথা বুলি ময়ো ভাবিছোঁ। মোৰো এয়ে ধাৰণা হৈছে। আমি খৰখেদাকৈ কিবা কৰাটো উচিত নহ'ব। অতীতৰ অভিজ্ঞতা পাহৰি যোৱাটো ঠিক নহ'ব।"

অমৰপালৰ আৰু উগ্ৰাক্ষৰ কথা শুনি চিত্ৰসেনৰ ভাব হ'ল যে আবেগৰ বশৱৰ্তী হৈ জ্বালাদ্বীপিয়াহঁতক আক্ৰমণ কৰাহেঁতেন

অবাবতে কিছুমান প্ৰজা আৰু ৰাক্ষসকো হেৰুৱাবলগা হ'লহেঁতেন। তথাপি—চিত্ৰসেনে ভাবিলেঃ মই ৰজা হৈ থকালৈকে প্ৰজাবৰ্গক বিপদৰপৰা ৰক্ষা কৰাৰ দায়িত্ব মোৰহে। ৰাইজ যদি অসহায় হৈ পৰে, সেয়া হব ৰজাৰ অপমান। মোৰ পিতৃৰ ৰাজ্য নাগবৰ্মাই আক্ৰমণ কৰি সিংহাসন অধিকাৰ কৰিছিল। আত্মৰক্ষাৰ বাবে নাগবৰ্মাই পলাবলগীয়া হৈছিল। কিন্তু চিৰকালৰ বাবে সি পলাই সাৰিব নোৱাৰে।

এনেবোৰ প্ৰশ্নৰ সমদলে মূৰ দাঙি উঠাত চিত্ৰসেন যেতিয়া বিব্ৰত, তেতিয়া অমৰপালে তেওঁক ক'লে, "মহাৰাজ, আপুনি মোক আপোনাৰ অতি বিশ্বস্ত সেৱক হিচাপে গণ্য কৰিব পাৰে। আপোনাৰ আদেশ পালে মই জুইতো জঁপিয়াই পৰিম। এতেকে—মোক বিশ্বাস কৰাটো আপোনাৰ কৰ্তব্য। জ্বালাদ্বীপিয়া-হঁতক এসেকা দিবলৈ হ'লে পোন প্ৰথমে সেই বিকট চৰাইবিলাকক মাৰি পেলাব লাগিব। আপোনাৰপৰা স্পষ্ট নিৰ্দেশ পাওঁ যদি—সেই ভয়কৰ চৰাই আৰু সেইবিলাকক পোহ-পাল দিয়া জ্বালা-দ্বীপিয়াহঁতকো উচিত কড়ি বুকুত গুৰি দিব পাৰোঁ, মহাৰাজ!"

"চৰাইবিলাক সংখ্যাত যদি এশ—কেনেকৈ ইমানবোৰ মাৰি পেলাবা?" চিত্ৰসেনে প্ৰশ্ন কৰিলে।

"এই চৰাইবিলাকক মাৰি পেলোৱাৰ এক সহজ উপায়ো আছে, মহাৰাজ!"

"কিনো সেই উপায়, অমৰপাল?"

চিত্ৰসেন আৰু অমৰপালৰ মাজত হোৱা কথাখিনি উগ্ৰাক্ষই কাণ সৰালি মাৰি শুনি আছিল। ইমান সময়ৰ পাছত উগ্ৰাক্ষই কৈ উঠিল, "কোন উপায়ৰ কথা কৈছা, অমৰপাল?"

অমৰপালে আমনিলগা চাৱনিৰে উগ্ৰাক্ষলৈ ঘূৰি চাই চিত্ৰসেনক ক'লে,

"মহাৰাজ, চাৰাইবোৰ কপিলপুৰত আছে, আপোনাক অথনি ক'লোঁৱেঁই। চৰাই-বিলাকক তাত কটকটীয়াকৈ বান্ধি থোৱা হয় আৰু সিহঁতৰ পৰীয়াহঁত ওচৰে-পাঁজৰে পৰ দি বৈ থাকে। প্ৰকৃতপক্ষে পৰীয়াহঁতো তাতেই পঁজা সাজি থাকে। এতেকে—চৰাইবেৰ যিস্থলত বন্ধা অৱস্থাত থাকে—মাৰি পেলোৱাটো বৰ টান কথানে?"

চিত্ৰসেনে অমৰপালৰ কথাত অলপো উৎসাহ নাপাই প্ৰশ্ন কৰিলে, "কিন্তু—সেয়ানো কেনেকৈ সম্ভৱ?"

মহাৰাজ, মই এটা উপায় চিন্তিছোঁ। সেয়া হ'ল—"

আৰু অমৰপালৰ কথা নৌশেষ হওঁতেই অনতিদূৰত গছৰ আঁৰত এক ভয়ানক শব্দ উঠিল। চিত্ৰসেন আৰু অনুচৰ-বিলাকৰ সৈতে উগ্ৰাক্ষো সেই পিনে লৰি গ'ল। অলপ দূৰ আগুৱাই যোৱাৰ পাছত সিহঁতে যি দৃশ্য দেখ পালে, সেয়া আছিল অতি ভয়ংকৰ দৃশ্য।

কিছুমান বিকট চৰাইয়ে সিহঁতৰ বৰশী-নখেৰে ভালেমান ভেড়া আৰু গৰু ধৰি আনি তাত জোঙা ঠোঁটেৰে ছিঙি ছিঙি খাই আছে!

এই ভয়ানক দৃশ্য দেখি চিত্ৰসেনে ক'লে, "এতিয়া আৰু আগবাঢ়ি যোৱাটো সমীচীন নহ'ব যেন পাইছোঁ। চৰাই-বিলাক গুচি যোৱাৰ পাছত যদি কোনো গৰু বা ভেড়া আহত অৱস্থাত তাত পৰি থাকে, আমি ভাল কৰি তুলিম।"

চিত্ৰসেনৰ কথা শুনি তেওঁৰ অনুচৰ আৰু উগ্ৰাক্ষৰ অনুচৰ কিছুমানো আহত পশুবিলাকক চাবলৈ যোৱাৰ বাবে খোজ লোৱাৰ লগে লগে চিত্ৰসেনে পুনৰ কৈ উঠিল, "এতিয়াই গ'লে কিন্তু বিপদ হ'ব।"

সিহঁত বৈ দিলে।

আৰু চাওঁতে চাওঁতে জ্বালাদ্বীপিয়াহঁতো সিহঁতৰ বাহনৰ পিঠিত উঠি একে একে আকাশপথেদি গুচি যাবলৈ ধৰিলে।......

CHITRA

সিহঁত গুচি যোৱাৰ অন্তত চিত্ৰসেন, উগ্ৰাক্ষ আৰু অনুচৰহঁতেও আহত পশু-বিলাকক শুশ্ৰূষা কৰিবলৈ ধৰিলে।

এইবোৰ কথা-কাণ্ডলৈ লক্ষ্য কৰি উগ্ৰাক্ষই চিত্ৰসেনক ভোৰভোৰাই ক'লে, "চিত্ৰসেন, মই বৰ অসহায় বোধ কৰিছোঁ। এই অত্যাচাৰীহঁতে আমাৰ দেশত ইচ্ছা-মতে অত্যচাৰ কৰি থাকিব আৰু আমি নীৰবে-নিমাতে সহি থাকিম! এয়া অসহ্য! অথচ—এই অৱস্থাত কি যে কৰণীয়, তাকো ঠাৱৰ কৰিব পৰা নাই। —তুমি কিবা ভাবিছানে ৰাৰু?"

চিত্ৰসেনে অমৰপাললৈ চাই ক'লে, "অমৰপাল, এই এই দুৰ্ঘোৰ অত্যাচাৰী জ্বালাদ্বীপিয়া আৰু কদাকাৰ-ভয়ংকৰ চৰাই-বিলাকৰপৰা ৰক্ষা পোৱাৰ কিবা উপায় আছেনে? মোৰ ধাৰণা, সিহঁতক মাৰি পেলাব নোৱাৰিলে আমাৰ সুৰক্ষাৰ আন একো উপায় নাই।"

"মহাৰাজ, মই আগতেই কৈছোঁ যে —জ্বালাদ্বীপিয়াহঁতৰ একমাত্ৰ ভৰসা হ'ল সেই চৰাইবোৰ। চৰাইবিলাকক খতম কৰিব পাৰিলেই—কেল্লা ফতেহ্? তেতিয়া জ্বালাদ্বীপহঁতক কণ কণ ল'ৰা-ছোৱালী-হঁতেও কচুকটা দিব পাৰিব। আৰু— চৰাইবিলাক যেতিয়া বন্দী অৱস্থাত থাকিব, তেতিয়াই সিহঁতক খতম কৰিব লাগিব। কিবা প্ৰকাৰে ডিঙি কাটি পেলাব পাৰিলেই হ'ল। আৰু—আন উপায় হ'ল তাত জুই লগাই দিয়া। আপুনি যি ভাল দেখে।" অমৰপালে ক'লে।

"সেয়ানো কেনেকৈ সম্ভৱ, অমৰপাল!" চিত্ৰসেনে ক'লে।

"কিয় সম্ভৱ নহয়, মহাৰাজ? —" অমৰপালে ক'লে, "আপুনি মাত্ৰ চাৰি-পাঁচজনমান সৈন্য মোৰ লগত পঠাওক। মই কপিলপুৰলৈ গৈ, জোপ লৈ থাকি, ছেগ বুজি, জুই লগাই দিম। [অহা সংখ্যাত

কৰ্তব্য

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল, আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, নিশ্চয় কোনোবা মহৎ কাৰ্য্য কৰিবলৈ তুমি যুগ যুগ ধৰি এই অহো-পুৰুষাৰ্থ কৰিছা। কিন্তু কঠোৰ অধ্যৱসায়, নিষ্ঠা, নীতিপৰায়ণতা তথা অটল প্ৰতিজ্ঞা নাথাকিলে কেৱল চেষ্টাৰে কোনো ডাঙৰ কাৰ্য্য সম্পন্ন নহয়। মোৰ এই মন্তব্যৰ—প্ৰমাণস্বৰূপে তোমাক আজি বিজয়পুৰৰ ৰাজকুঁৱৰীৰ কাহিনী ক'ম। কাহিনীটি শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

এদিন গধূলিৰপৰতে বিজয়পুৰৰ ৰাজকুঁৱৰী স্নুবৰ্ণা তেওঁৰ মোমায়েকৰ ঘৰলৈ গৈছিল। চাৰিজন বলিষ্ঠ আদিবাসীয়ে ৰাজকুঁৱৰীৰ দোলা কঢ়িয়াই লৈ গৈ আছিল। মোমায়েকৰ ঘৰৰপৰা উভতি আহোঁতে ৰাজকুঁৱৰীৰ সখিসকল আৰু দেহৰক্ষীহঁত ৰাজকুৱৰীৰ দোলাৰ লগে লগে তালক তালে গৈ আছিল।

তেতিয়াও ৰাজধানী বহু দূৰ। এনেতে এটা পাহাৰৰ নামনিৰপৰা হঠাৎ চিঞৰ-বাখৰৰ শব্দ উঠিল। ৰাজকুঁৱৰীৰ দোলা-ভাৰীহঁত খন্তেকপৰলৈ ৰ'ল, আৰু তৎক্ষণাৎ কিছুমান সশস্ত্ৰ মানুহে দোলাখন চাৰিওফালৰপৰা আগুৰি ধৰিলে। দেহৰক্ষীহঁতে সিহঁতক বাধা দিলে। কিন্তু এই সশস্ত্ৰ ডকাইতহঁতে ৰাজকুঁৱৰীৰ দেহৰক্ষাহঁতক পৰ্য্যুদস্ত কৰি, মাৰি ভৈয়াম কৰি, দোলাৰপৰা ৰাজকুঁৱৰী স্নুবৰ্ণাক অপহৰণ কৰি লৈ যাবলৈ যে-জা কৰিলে।

ঠিক সেই মুহূৰ্ততে পাহাৰৰ ডিঙিৰপৰা ডাঙৰ ডাঙৰ চটাচটে গধুৰ শিলবোৰ দুৰন্ত গতিৰে বাগৰি তললৈ পৰি থাকিল। এচটা বিৰাট শিল ডকাইতদলৰ চৰ্দাৰৰ মূৰত পৰিল আৰু চৰ্দাৰ মুহূৰ্ততে মৰিল। তাৰ লগে লগে আন চাৰি-পাঁচটামান ডকাইতো মৰিল।

যেতিয়া আন ডকাইতবিলাকো পলাই যাবলৈ লৰ ধৰিলে, ঠিক তেতিয়াই পাহাৰৰ পৰা কিছুমান যুৱক বিজুলীগতিৰে লৰৰি আহিল আৰু ডকাইতৰ পোৱালিহঁতক চাৰিওফালৰপৰা ঘেৰি পেলালে। আৰু তেতিয়াহে ৰাজকুঁৱৰীৰ দেহৰক্ষীহঁতে ডকাইত-পোৱালিবিলাকৰ পিঠিত বীৰ বিক্ৰমৰে বাবৰি ফুল বাছি থাকিল।

যিসকল যুৱকে ডকাইতহঁতক পৰ্য্যুদস্ত কৰিছিল, সিহঁত ৰাজধানীৰপৰা নিজৰ গাঁৱলৈ গৈ আছিল। অস্ত্ৰ-চালনাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ সিহঁত ৰাজধানীলৈ গৈছিল। এই যুৱকদলৰ

নেতা আছিল হিমাদ্রি। হিমাদ্রিয়ে এবাৰ অস্ত্ৰচালনাৰ প্ৰতিযোগিতাত প্ৰথমস্থান লাভ কৰি ৰাজকুঁৱৰী সুবৰ্ণাৰপৰা পুৰস্কাৰ লাভ কৰিছিল।

ডকাইতকেইটাক কটকটীয়াকৈ বান্ধি থোৱাৰ পাছত হিমাদ্রিয়ে ৰজাৰ ওচৰলৈ এই বাতৰি পঠালে। দুজন অশ্বাৰোহীক ৰাজধানীলৈ পঠোৱা হ'ল। এই বিষম বাতৰি পাই ৰজাই তৎক্ষণাৎ কিছুমান সৈন্য পঠালে। তেতিয়া সৈন্যইতে ৰাজকুঁৱৰীক নিৰাপদে ৰাজধানীলৈ লৈ গ'ল।

পাছদিনা, ৰজাৰপৰা আহ্বান পাই, হিমাদ্রিও ৰাজধানীলৈ গ'ল। ৰজাই হিমাদ্রিক অভিনন্দন জ্ঞাপন কৰি ক'লে, "তুমি কেৱল ৰাজকুঁৱৰীকে উদ্ধাৰ তথা ৰক্ষা কৰা নাই, ডকাইতবিলাকক মাৰি, বন্দী কৰি, দেশৰ ৰাইজৰো মহৎ মংগল সাধিছা। তোমাক কি উপহাৰ-পুৰস্কাৰ লাগে কোৱা; তুমি যিহকে খুজিবা মই তাকে দিম।"

এখন্তেক ভাবি লৈ হিমাদ্রিয়ে ৰজাক ক'লে, "মহাৰাজ, মোক আপুনি অনুমতি দিয়ে যদি—মই ৰাজকুঁৱৰীৰপৰা উপহাৰ ল'ম আৰু উপহাৰ লোৱাৰ আগতে তেওঁৰ সৈতে কথা হ'ম।"

ৰজাই তৎক্ষণাৎ সন্মতি দিলে।

ৰাজকুঁৱৰী সুবৰ্ণাই হিমাদ্রিক ক'লে, "মোৰপৰা আপুনি কি উপহাৰ আশা

নওহক, এইবাৰ যে মই ডকাইতৰ কবলৰ-পৰা আপোনাক উদ্ধাৰ কৰিলোঁ, সেই বিষয়ে আপোনাৰ মতামত কি, অনুগ্ৰহ কৰি ক'বনে ?"

"হিমাদ্ৰি কেৱল সাহসীয়েই নহয়, কেতিয়া কোন কাম তৎপৰতাৰে কৰিব লাগে, সেই কথাটোও জানে।" ৰাজকুঁৱৰী সুৱৰ্ণাই ক'লে।

"আপোনাৰ অভিমতৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এতিয়া—মই যি উপহাৰ খুজিম, সেই উপহাৰ দিয়াৰ ক্ষমতা আপোনাৰ নথকা নহয়,।" হিমাদ্ৰি মুহূৰ্তৰ বাবে থমকি ৰ'ল, আৰু পাছমুহূৰ্ততে ক'লে, "আপুনি মোক বিবাহ কৰাওক, এয়ে মোৰ আন্তৰিক ইচ্ছা। এই ক্ষমতা নিশ্চয় আপোনাৰ আছে।"

কেইমুহূৰ্তমানৰ নীৰৱতাৰ অন্তত ৰাজকুঁৱৰী সুৱৰ্ণাই ধীৰ-স্থিৰভাৱে ক'লে, "এই ক্ষমতা মোৰ আছেনে নাই, এতিয়াই ক'ব নোৱাৰিছোঁ। আপোনাক বিবাহ কৰাৰ ক্ষেত্ৰত মোৰ সিমান অনিচ্ছাও নাই। পিছে — দেউতাৰপৰা নিশ্চয় অনুমতি ল'ব লাগিব।"

সুৱৰ্ণাৰ এই কথাত হিমাদ্ৰিয়ে মুঠেই বেয়া নাপালে।

ৰাতিৰ পৰতে ৰাজকুঁৱৰী সুৱৰ্ণাই

কৰিছে—অনুগ্ৰহ কৰি ক'বনে ?"

"মই খোজা মতে উপহাৰ পাম বুলি কথা দিয়ে যদি— মনৰ কথা ক'ম।" হিমাদ্ৰিয়ে ক'লে।

"মোৰ ক্ষমতাৰ বাহিৰ নহ'লে মই নিশ্চয় মোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিম।" সুৱৰ্ণাই ক'লে।

ৰাজকুঁৱৰীৰ উত্তৰত হিমাদ্ৰিয়ে ভালেই পালে। হিমাদ্ৰিয়ে ক'লে, "ৰাজকুঁৱৰী, মই আপোনাৰ অচিনাকি নহওঁ। কেই-মাহমানৰ আগতে মই আপোনাৰপৰা উপহাৰ-পুৰস্কাৰ লৈছিলোঁ অস্ত্ৰ-প্ৰতি-যোগিতাত প্ৰথম স্থান পাই। যি কি

ৰজাক ক'লে, "দেউতা, তোমাৰ অনুমতি লৈ হিমাদ্ৰিয়ে মোক লগ ধৰিছিল। ডকাইত বিলাকে কেৱল মোৰ আ-অলংকাৰ লুট কৰি উভতি গ'লহেঁতেন বুলি মই নাভাবোঁ। সিহঁতে মোক নিশ্চয় অপহৰণ কৰি লৈ গ'লহেঁতেন, নতুবা মাৰি পেলালেহেঁতেন। ডকাইতহঁতে মোক অপহৰণ কৰাহেঁতেন মই অৱশ্যেই সদায় মোৰ লগত থকা তীব্ৰ বিষ খাই আত্মঘাতী হ'লোহেঁতেন। কিন্তু হিমাদ্ৰিয়ে মোক ধনে-মানে ৰক্ষা কৰিলে। এতিয়া, হিমাদ্ৰিয়ে মোক বিয়া কৰাব খুজিছে। মই হিমাদ্ৰিৰ প্ৰস্তাৱত সন্মত হ'লে তাৰ ফলাফল ভাল হ'বনে?"

জীয়েকৰপৰা এনেবোৰ আচৰিত কথা শুনি ৰজা হতবাক হ'ল। তাৰ পাছত তেওঁ ক'লে, "তুমি—তুমি সঁচাসঁচিকৈ হিমাদ্ৰিক বিয়া কৰাব খুজিছানে কি!"

"দেউতা, বিয়া কৰালে যে ৰাজ-বংশজাত কাৰোবাক বিয়া কৰাবই লাগিব, তেনেকুৱা কথা নাই। হিমাদ্ৰিও যথেষ্ট যোগ্য।" সুৱৰ্ণাই ক'লে।

"ঠিক আছে, এই বিষয়ে পাছত চিন্তা কৰি চোৱা যাব।" ৰজাই ক'লে।

পাছদিনাই ৰজাই হিমাদ্ৰিক কৈ পঠালে যে হিমাদ্ৰিয়ে এই বিষম বাসনা অতি সোনকালে পৰিত্যাগ কৰে যেন।

আৰু হিমাদ্ৰিয়ে এই খবৰ পাই পোনে পোনেই ৰাজকুঁৱৰীৰ ওচৰলৈ গৈ ক'লে, "তোমাক নাপালে মৃত্যুৰ বাহিৰে মোৰ আন উপায় নাই।"

ৰাজকুঁৱৰীয়ে হিমাদ্ৰিক সান্ত্বনা দিলে আৰু ক'লে, "তুমি ইমান হতাশ নহ'বা-চোন, মই সময়-সুযোগ বুজি দেউতাক কৈ-মেলি সন্মত কৰাম।"

বুকুত আশাৰ বোকোচা বান্ধি লৈ হিমাদ্ৰি গাঁৱলৈ উভতি গ'ল।

চাওঁতে চাওঁতে এটা বছৰ উকলি গ'ল, তথাপি ৰাজকুঁৱৰীৰপৰা কোনো

খবৰ-বাতৰি নাহিল। এবছৰৰ অন্তত ৰজা কঠিন অসুখত শয্যাশায়ী হৈ পৰিল। শয্যাশায়ী অৱস্থাত ৰজাই তেওঁৰ জীয়েকক ক'লে, "আই সুৱৰ্ণা, মই বোধকৰোঁ আৰু ভাল হৈ নুঠিম। মৰাৰ আগতে তোৰ বিয়াখন পাতিব নোৱাৰিলোঁ— কী যে হ'ব!"

সুৱৰ্ণাই হিমাদ্ৰিৰ কথা ক'ব বুলি ভাবিও নোকোৱা হ'ল। তাই ভাবিলে: যদি দেউতাই বেয়া পায়, অসুখ বাঢ়ি যায়! তথাপি তাই অলপ পাছত কথাটো কোৱাটোকে স্থিৰ কৰিলে। কিন্তু এনেতে সুৱৰ্ণাৰ মৰমৰ ভায়েক, অৰ্থাৎ ৰাজকোঁৱৰ সুৰথৰ অপমৃত্যুৰ সম্বাদ পাই সুৱৰ্ণা স্তম্ভিত হৈ পৰিল। ঘোঁৰাৰ পিঠিৰপৰা বাগৰি পৰি সুৰথৰ মৃত্যু হ'ল। আৰু এই বাতৰি পায়েই বৃদ্ধ ৰজাও তৎক্ষণাৎ ঢুকাল।

একেলগে ইমানবোৰ দুৰ্ঘটনা ঘটাত ৰাজকুঁৱৰী বিভ্ৰান্ত হৈ পৰিল। তথাপি, কেইমুহূৰ্তমানৰ মাজতে সুৱৰ্ণাই সিদ্ধান্ত স্থিৰ কৰিলে। তেওঁ সিংহাসনত অধিষ্ঠিতা হ'ল। তেওঁ হ'ল বিজয়পুৰৰ ৰাণী। ব্যক্তিৰ মৃত্যু হ'ব পাৰে; সেই বুলি দেশখন ৰজাবিহীন হ'ব নোৱাৰে। ৮

কিছুদিনৰ মাজত ৰাণী সুৱৰ্ণাই হিমাদ্ৰিক ৰাজধানীলৈ লৈ আহিবলৈ তেওঁৰ অতি বিশ্বস্ত অনুচৰ এজনক পঠালে; কিন্তু অনুচৰজনে উভতি আহি ক'লে যে, কিছুদিনৰ আগতে হিমাদ্ৰি সেই গাঁও এৰি ক'ৰবালৈ গুচি গৈছে। তেতিয়া সুৱৰ্ণাই ভাবিলে: হিমাদ্ৰি উভতি নহালৈকে মই বিবাহলৈ বৈ থাকিম।

এদিন—দেশৰ পৰিস্থিতি স্বচক্ষে চাবলৈ ছদ্মবেশ ধাৰণ কৰি ৰাণী সুৱৰ্ণা ওলাল। তেওঁ তেওঁৰ লগত কেইজনমান সশস্ত্ৰ অনুচৰকো লৈ গ'ল; কিন্তু সেই অনুচৰহঁত তেওঁৰপৰা আঁতৰ হৈ থাকিছিল।

গৈ গৈ সুৱৰ্ণাই এখন গাঁও পালেগৈ। তাত এটি শিৱদ'ল আছিল। আৰু

দিনটো আছিল শিৰপূজাৰ দিন। সেয়েহে, সেইদিনা শিৰদ'লত বহুতো মহিলাৰ সমাগম হৈছিল। সুৰৰ্ণাই এনে স্বৰ্ণ সুযোগ পাই ভালেই পালে।

তাৰ পাছত ৰাজধানীলৈ উভতি যাওঁতে বাটত হঠাৎ এদল অস্ত্ৰধাৰী ডকাইতে সুৰৰ্ণাক সিহঁতৰ ঠাইলৈ লৈ গ'ল আৰু ক'লে, "ইয়াত তোমাৰ কোনো ভয় নাই। ইয়াত থাকি তুমি আগলৈ ভালেই পাবা। আমাৰ চৰ্দাৰে তোমাক কত যে মৰম কৰিব—চাবা।"

অলপ পাছত চৰ্দাৰ উপস্থিত হ'লহি তাত। চৰ্দাৰে ৰ' লাগি ৰাণী সুৰৰ্ণালৈ চাই ৰ'ল আৰু নিজক কোৱাদি ক'লে : কোনোবা এগৰাকী ৰূপৱতীক বিয়া কৰাম—এয়া মোৰ দীৰ্ঘকালৰ বাসনা। সিহঁতে সঁচাসঁচিকৈয়েই চালে চকু ৰৈ যোৱা এজনীক ধৰি লৈ আহিল। চৰ্দাৰে সুৰৰ্ণাক ক'লে, "তোমাক—তোমাক মই আগতে ক'ৰবাত দেখিছিলোঁনে কি—ঠাৱৰ কৰিব পৰা নাই।"

"তুমি হিমাদ্ৰি নহয়নে?" সুৰৰ্ণাই চৰ্দাৰক প্ৰশ্ন কৰিলে।

ডকাইত-চৰ্দাৰে উচপ খাই উঠি ক'লে, "তুমি মোৰ এই নামটো কেনেকৈ জানিলা! মোক সকলোৱে ভীমাডকাইত বুলিয়েই জানে দেখোন!"

সুৰৰ্ণাই হাঁহি মাৰি ক'লে, "তুমি মোক তেন্তে চিনি নাপালা। মই সুৰৰ্ণা। তোমাক বিবাহ কৰাবৰ মনেৰে তোমাক বিচাৰি মানুহ পঠাইছিলোঁ।"

অবাক হৈ পৰা হিমাদ্ৰিয়ে থোকাথুকি মাতেৰে ক'লে, "অদ্ভুত! অবিশ্বাস্য! তথাপি তো সঁচা। এয়া বিধিৰ বিধান। নহ'লেনো এনেকৈ দেখাদেখি হ'ব কিয়?"

"ঠিকেই, ঠিক। বিধিৰ বিধান নহ'লে এনেকৈ দেখাদেখি হোৱাটো সম্ভৱ নহয়।" সুৰৰ্ণাই ক'লে।

হিমাদ্ৰিয়ে তাৰ অনুচৰ ডকাইতহঁতক

তাৰপৰা আঁতৰি যাবলৈ ক'লে, আৰু তাৰ পাছত সুৱৰ্ণাই তাত ইচ্ছামতে ঘূৰি ফুৰিবলৈ ধৰিলে।

অলপ পাছত, ৰাণী সুৱৰ্ণাৰপৰা ইংগিত পাই, তেওঁৰ ছদ্মবেশী সৈন্যইঁতে হিমাদ্ৰিৰে সৈতে আটাইবিলাক ডকাইতক বন্দী কৰি ৰাজধানীলৈ লৈ গ'ল আৰু ৰাণী সুৱৰ্ণাই অলপো দ্বিধা নকৰি হিমাদ্ৰি আৰু আন ডকাইতবিলাককো মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে আৰু এই দণ্ড অনতিপলমে কাৰ্য্যকৰী হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে সুধিলে, "হে ৰজা, সুৱৰ্ণাৰ কথা আৰু কামৰ মাজত অলপো মিল নাই। যিজনী সুৱৰ্ণাই হিমাদ্ৰিক বিবাহ কৰাব বুলি প্ৰতিশ্ৰুতি দিছিল, হিমাদ্ৰিক বিচাৰি মানুহ পঠিয়াইছিল, সেই একেজনী সুৱৰ্ণাই হিমাদ্ৰিক পায়ো মৃত্যুদণ্ড দিছিল কিয়? সুৱৰ্ণাৰ এনে আচৰিত আচৰণৰ ব্যাখ্যা জনা সত্বেও যদি সঠিককৈ মোক নোকোৱা, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি জানি থ'বা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "হিমাদ্ৰিৰ প্ৰতি সুৱৰ্ণাৰ মৰম-ভালপোৱা তথা কৃতজ্ঞতা-বোধ নথকা নাছিল। সুৱৰ্ণা তেওঁৰ প্ৰতি-শ্ৰুতিতো অটল আছিল; কিয়নো, তেওঁ আনকি ৰাণী হৈয়ো হিমাদ্ৰিক বিয়া কৰাবলৈ বিচাৰি ফুৰিছিল। কিন্তু পাছত যিজন হিমাদ্ৰিক তেওঁ বিচাৰি পালে, সেই হিমাদ্ৰি আছিল ডকাইত; দেশৰ ৰাণী হৈ তেওঁ অকৰ্তব্য কৰিব নোৱাৰে। সেয়েহে, ৰাণী সুৱৰ্ণাই ডকাইত হিমাদ্ৰিক মৃত্যুদণ্ড বিহিবলৈ বাধ্য হৈছিল। কৰ্তব্য মৰম-ভালপোৱাতকৈয়ো ডাঙৰ।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



আমাৰ দ'ল-দেৱালয়

গয়া-বুদ্ধগয়া

সহস্ৰ বছৰৰ আগেয়ে গয়াসুৰ নামৰ অসুৰ এজনে বিষ্ণুলৈ তপস্যা কৰিছিল। তেওঁ বছৰৰ পাছত বছৰ ধৰি কঠোৰ তপস্যাত মগ্ন আছিল।

গয়াসুৰৰ কঠোৰ তপস্যাই দেৱতাসকলৰ ভবাই তুলিলে। কিয়নো অসুৰ গয়াসুৰে বৰ লাভ কৰি অপৰিমেয় শক্তিৰ অধিকাৰী হ'লে সাধু-সজ্জনৰ ওপৰত অত্যাচাৰ কৰিব।

এগৰাকী দেৱতাই গয়াসুৰক ক'লেগৈ, "মই অতি ক্লান্ত। তোমাৰ কান্ধৰ ওপৰত বহি অলপ জিৰাওঁনে?" এই প্ৰস্তাৱত গয়াসুৰ আনন্দৰে সন্মত হ'ল আৰু সেই দেৱতা গয়াসুৰৰ কান্ধৰপৰা আৰু ননমা হ'ল।

তাৰ পাছত একে একে অনেক দেৱতাই গয়াসুৰৰ কান্ধত বহি জিৰাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। গয়াসুৰে নিজৰ দেহটোক বৃদ্ধি কৰি দেৱতাসকলক বহিবলৈ দিলে। আৰু এই দৰে দেৱতা সকলে গয়াসুৰক দমাবলৈ চেষ্টা কৰিলে।

দেৱতাসকলৰ অভিসন্ধি গয়াসুৰে সুবুজাকৈ নাথাকিল। তেওঁ দেৱতা সকলক ক'লে, "হে দেৱতাগণ, তোমালোকৰ মনৰ ইচ্ছা মতে মই এই ভূমিৰ গভীৰলৈ প্ৰবেশ কৰিম। কিন্তু মোক কেতিয়াও পৰিত্যাগ নকৰিবা।" এই বুলি কৈ গয়াসুৰ ভূমিৰ গভীৰত সোমাল।

গয়াসুৰৰ গুচি যোৱাৰ পাছত ব্ৰহ্মাই সেই ঠাইত যজ্ঞ পাতিলে। বিষ্ণু তাত আবিৰ্ভূত হ'ল, আৰু ভক্ত গয়াসুৰৰ আত্মাক আশীৰ্বাদ কৰিলে।

সেই ঠাইত বিষ্ণুৰ পদচিহ্ন পৰিছিল। পৰৱৰ্তীকালত ইন্দোৰৰ মহাৰাণী অহল্যাবাঈয়ে তাত পৰম সুন্দৰ এটি বিষ্ণুমন্দিৰ সাজিছিল।





এই মন্দিৰক্ষেত্ৰক পৰৱৰ্তীকালত গয়াতীৰ্থ বুলি অভিহিত কৰা হৈছিল। এই গয়াতীৰ্থত উপৰিপুৰুষ সকললৈ পিণ্ডদান কৰা হয়। সমগ্ৰ ভাৰতৰ কোটি কোটি নৰ-নাৰী এই গয়াতীৰ্থলৈ পিণ্ডদান কৰিবলৈ আগমন কৰে।

গয়াত ভূমিৰ অভ্যন্তৰেদি ফল্গু নৈ প্ৰবাহিত হয়। এই নৈ ভূমিৰ ওপৰত নেদেখি। ভূমি অলপ খান্দিলেই পানী ওলায়। এই ফল্গুস্ৰোতৰ অপাৰ মহিমা।

গয়াৰ পৰা ১৪ কিলোমিটাৰ দূৰৈত এজোপা আহঁত গছৰ তলত গৌতম বুদ্ধই সিদ্ধিলাভ কৰাত সেই ঠাই বুদ্ধগয়া বুলি অভিহিত। যিজোপা আহঁত গছৰ তলত বহি বুদ্ধই সিদ্ধিলাভ কৰিছিল, সেইজোপা অদ্যাপি বিদ্যমান।

এই ঠাইত থকা মহাবোধি মন্দিৰ বৌদ্ধ-শিল্পকলাৰ অতি উজ্জ্বল নিদৰ্শন। এই মন্দিৰৰ ভিতৰত সোণৰ বুদ্ধমূৰ্তি আছে। দেশ-বিদেশৰপৰা অসংখ্য নৰ-নাৰী এই মন্দিৰ দৰ্শন কৰিবলৈ আগমন কৰে।





সিদ্ধিলাভ কৰাৰ অন্তত যি স্থানত দণ্ডায়মান হৈ বুদ্ধদেৱ সুদূৰলৈ দৃষ্টিপাত কৰিছিল, মহাবোধি মন্দিৰৰ নিচেই ওচৰত সেই পবিত্ৰ স্থান অৱস্থিত।

দোষী-নিৰ্দোষী

শিৱপুৰ গাঁওখন ডাঙৰ গাঁও। এই গাঁৱত এখন ধৰমশালা আছিল। এদিন ৰাতিপুৱাতে এটা টকাৰ মোনা লৈ দুজন যাত্ৰী নাই তই নাই মই লগাই দিলে। দুয়ো, টকাৰ মোনাটোক নিজৰ বুলি ক'লে। কাজিয়াই যেতিয়া দবৰাদবৰিলৈ বাগৰিল, তেতিয়া সিহঁত দুজনক গাঁৱৰ দুটা গৰুক খেদি লৈ যোৱাদি খেদি খেদি চকিদাৰে গাঁওবুঢ়াৰ ওচৰলৈ লৈ গ'ল।

গাঁওবুঢ়াই দুয়োজনকে ক'লে সঁচা কথা ক'বলৈ। কিন্তু দুয়োজনেই টকাৰ মোনাটো তাৰ বুলি ক'লে। তেতিয়া গাঁওবুঢ়াই দুয়োকো নিকপকপীয়া এন্ধাৰ কোঠা এটাত বন্ধ কৰি থ'লে।

মোনাটো যে এই দুজনৰ মাজত এজনৰ হ'ব, সেই কথাত গাঁওবুঢ়াৰ মনত অলপো সন্দেহ নাছিল। কিন্তু এনে দুৰূহ সমস্যাৰ সমাধান কৰিব নোৱাৰি অৱশেষত বিষয়টো ৰজাৰ ওচৰলৈ পঠোৱাটোকে খাটাং কৰিলে।

তথাপি, ৰজাৰ ওচৰলৈ পঠোৱাৰ আগতে গাঁওবুঢ়াই ভাবি থাকিল: দুটাৰ মাজত এটা নিশ্চয় মিছলীয়া। অথচ— যিটোৱে সঁচাকথা কৈছে, সিও অন্ধকাৰৰ বন্দী হৈ আছে। —নিৰ্দোষী কোন সেই কথা স্থিৰ কৰিবলৈ গাঁওবুঢ়াই দিনে-নিশাই ভাবি থাকিল।

আৰু ঠিক তেতিয়াই গাঁওবুঢ়াই খবৰ এটা পোৱা হ'ল: ৰাজধানীৰপৰা গাঁৱৰ সমস্যাৰ বুজবাজ ল'বলৈ কোনোবা বিশেষ ব্যক্তি এজন আহিছে, এই বিশেষ ব্যক্তি-জন আৰু তেওঁ শিৱপুৰলৈকো আহিব।

উত্তম পাঠক



এই বিশেষ ব্যক্তিগৰাকী আছিল ৰজাৰ মানুহ। গাঁওবুঢ়াই তেওঁক গাঁৱৰ বিভিন্ন সমস্যাৰ কথা কোৱাৰ অন্তত এই দুজনৰ কথাটোও ক'লে। গাঁওবুঢ়াই মন্তব্য কৰিলে, "মই সঠিককৈ একো ঠাৱৰ কৰিব নোৱাৰি, দুয়োকো এটা এন্ধাৰ কোঠাত বন্ধ কৰি থৈছোঁ।"

বিশেষ ব্যক্তিজনে ক'লে, "এয়ে হ'ল তোমালোকৰ আকাম। এই কাৰণেই তোমালোকক আকামৰ ঢেঁকী বুলি কোৱা হয়। দোষীক ধৰিব নোৱাৰিবা, আৰু আৰু নিৰ্দোষীকো নগুৰ শাস্তি দিবা।" তাৰ পাছত বিশেষ ব্যক্তিজনে টকাৰ মোনাটোলৈ চায়েই কৈ উঠিল, "হাৰে! কেনে আচৰিত কাণ্ড! এই টকাৰ মোনাটো দেখোন মোৰ! অ'—এতিয়া তো কথা একদম চাফ চাফ চাফ্‌ফা! সেই দুয়োটাই চোৰ!"

এই কথা শুনি গাঁওবুঢ়াই ক'লে, "বেয়া নাপাব, কথা এটা ক'ৰেঁই। আপুনি এই টকাৰ মোনাটো আপোনাৰ বুলি কৈছে, ঠিক আছে, কৈছেহে। কিন্তু— মোনাটো যে আপোনাৰেই, তাৰো প্ৰমাণ লাগিব। নহ'লে—মোনাটো আপোনাকো বা দিওঁ কেনেকৈ!"

"নিশ্চয়, ঠিকেই কৈছা। সেই চোৰ দুটাক লৈ আহাঁ, তেতিয়া সিহঁতৰ সকলো জাৰিজুৰি মোৰ আগত ওলাই পৰিব।" ৰাজধানীৰপৰা অহা বিশেষ ব্যক্তিজনে গাঁওবুঢ়াক ক'লে।

গাঁওবুঢ়াই সিহঁত দুটাক এন্ধাৰ কোঠাৰপৰা উলিয়াই আনিলে আৰুআগৰ দৰেই পুনৰ সুধিলে, "এতিয়াও কৈ দিয়া, টকাৰ মোনাটো কাৰ। সঁচা কথা ক'লে তোমালোকক শাস্তিৰপৰা ৰেহাই দিয়া হ'ব।"

কিন্তু সিহঁতে দুয়োটায়েই পকা ভদ্ৰলোকৰ দৰে ক'লে যে মোনাটো সিহঁতৰ। অৰ্থাৎ—দুয়োটায়েই পুনৰ মোনাটোলৈ দাবী জনালে।

গাঁওবুঢ়াই এইবাৰ চকু পকাই ক'লে, "এই টকাৰ মোনাটো আচলতে ৰাজধানীৰ-পৰা অহা এই বিশেষ ব্যক্তিগৰাকীৰ। এতিয়াও কৈছোঁ, সঁচা কথা কোৱা, তোমালোকক এৰি দিম।"

সিহঁত দুজনৰ মাজত এজনে অতি দুখেৰে কৈ উঠিল, "গাঁওবুঢ়া ডাঙৰীয়া, দেশত ধৰ্মাধৰ্ম বোলা একো নাথাকিল দেখিছোঁ। মোৰ ধনখিনি আগতেই এজনে নিজৰ বুলি কৈছে; এতিয়া ৰাজ-ধানীৰপৰা অহা মহাৰাজৰ মানুহ এজনেও তেওঁৰ বুলি কৈছে। এয়ে যদি অৱস্থা—সুবিচাৰনো ক'ত আৰু কেনেকৈ আৰু কাৰপৰা পোৱা যাব?"

দ্বিতীয় মানুহজনে ৰাউতমুৰাটো হৈ ৰেৰ মাৰি কৈ উঠিল, "চাওক ডাঙৰীয়া, আপুনি গাঁওবুঢ়া হ'ব পাৰে; কিন্তু বিচাৰক হ'ব্বই নোৱাৰে। বিচাৰক হ'বলৈ হ'লে ধৈৰ্য্যশীল, তীক্ষ্ণ বুদ্ধি হ'ব লাগে। এইবোৰৰ একো-এটাও আপোনাৰ নাই। ক'ৰপৰা কোন আহিল আৰু ক'লে যে 'টকাৰ মোনাটো মোৰ', আৰু আপুনিও তেওঁৰ কথন বেদৰ বচন বুলি ধৰি ল'লে! এয়ে হ'লনে আপোনাৰ বিচাৰ!"

গাঁওবুঢ়াৰো উঠিল খং। কিন্তু তথাপি শান্ত কণ্ঠেৰে ক'লে, "তেনেহ'লে—তোমাৰ



কথা যদি কথাৰ নাল নহয়, যদি সঁচা-সাৰুৱা হয়েই, তেনেহ'লে আচল চোৰ কোন তাকো তুমি নিশ্চয় ক'ব পাৰিবা। নহ'লে—টকাৰ মোনাটো এই ৰজাৰ মানুহজনৰ নহয় বুলি তুমি কৈছানো কেনেকৈহে?"

"কিয়নো—মোৰ লগত একেলগে এন্ধাৰ খোটালীত থকা মানুহজনক আন বেপাৰীয়ে টকাৰ মোনাটো দিয়া মই দেখিছিলোঁ। মই কিন্তু আপোনাৰ বিচাৰৰ বিৰুদ্ধে ৰজাৰ ওচৰত গোচৰ তৰিম।" চোৰটোৱে ক'লে।

গাঁওবুঢ়াই ৰাজধানীৰপৰা অহা বিশেষ

ব্যক্তিজনলৈ চকু পকাই চোৰাৰ লগে লগে কৈ উঠিল, "ঘটনা যি আৰু যেনে-কুৱাই নহওক—আচল চোৰ ধৰা পৰিল।"

বিশেষ ব্যক্তিৰ কথা শুনি গাঁওবুঢ়াই ফটফটীয়াকৈ বুজি পালে যে এই মানুহ-জনে লোভত পৰি টকাৰ মোনাটো আত্মসাৎ কৰিবলৈ চেষ্টা কৰিছিল। গাঁওবুঢ়াই ক'লে, "আমাৰ সমস্যা তথা সত্য ঘটনা জনাৰ বাবে মহাৰাজে আপোনাক পঠালে। কিন্তু আপুনি নিজেই অসততাৰ আশ্ৰয় ল'লে। এয়া এক ক্ষমাহীন অপৰাধ। মই আপোনাক মহাৰাজৰ ওচৰলৈ ধৰি লৈ যাম।"

চোৰটোৱে ক'লে, "গাঁওবুঢ়া ডাঙৰীয়া, মই আপোনাৰ হৈ সাক্ষী দিবলৈ আপোনাৰ লগত ৰাজধানীলৈ যাম।"

তেতিয়া ৰাজধানীৰপৰা অহা সেই বিশেষ ব্যক্তিজনে গাঁওবুঢ়ালৈ চাই-হাঁহি মাৰি ক'লে, "হেতু বেলেগ বেলেগ হ'লেও তোমালোকৰ দুয়োৰো মাজত ন্যায়বিচাৰৰ ইচ্ছা প্ৰবল হোৱাত মই বৰ সন্তুষ্ট হৈছোঁ। টকাৰ মোনাটো যেতিয়া সি নিজে নাপাব, তেতিয়া যাতে প্ৰকৃত মালিকে পায়, তাৰ কাৰণে এই চোৰটিয়েও আপ্ৰাণ চেষ্টা কৰিলে। আৰু নিৰ্দোষী যাতে দণ্ডিত নহয় তাৰ বাবে তুমিও যথোচিত চেষ্টা কৰিছা। তোমাৰ এই সৎ প্ৰচেষ্টাৰ মই শলাগ লৈছোঁ। মই কোনো বিশেষ ব্যক্তি নহওঁ, ময়েই দেশৰ ৰজা।" এই বুলি কৈ, ৰজাই তেওঁৰ ছদ্মবেশ সোলোকাই পেলালে।

ৰজাই গাঁওবুঢ়াক ক'লে, "মই আজিৰ-পৰা তোমাক মোৰ পৰামৰ্শদাতাৰ পদত নিযুক্তি দিলোঁ, আৰু এই চোৰটিক তোমাৰ দেহৰক্ষী কামত মকৰল কৰিলোঁ।"

ৰজাৰ ঘোষণা শুনি গাঁওবুঢ়া আৰু চোৰটো অভিভূত হ'ল, আৰু তাত গোট-খোৱা ৰাইজে ৰজাৰ জয়ধ্বনি দিলে।

উত্তৰ-ৰামায়ণ

৩

ব্ৰহ্মাৰপৰা বৰ লাভ কৰি নিজৰ নাতিয়েক তিনিও পাতাললোকত থকাৰ কথা জানিব পাৰি সুমালীয়ে স্বস্তি লভিলে। তাৰ পাছত সুমালীয়ে মন্ত্ৰী মাৰীচ, প্ৰহস্ত, বিৰূপাক্ষ আৰু মহোদৰক লগত লৈ ৰাৱণৰ লগ ধৰি ক'লেগৈ, "চোৱা বোপা, ইমানদিনৰ অন্তত মোৰ মনৰ বাসনা পূৰ হ'ল। এতিয়া আৰু বিষ্ণুক ভয় নকৰিলেও হ'ব, কিয়নো, তুমি ব্ৰহ্মাৰপৰা বৰ লাভ কৰিলা। লংকাপুৰী আচলতে আমাৰ। তোমাৰ বৈমাত্ৰেয় ভাতৃ যথেষ্ট বিচক্ষণ তথা বুদ্ধিমান। তাৰ নাম যে কুবেৰ সেই কথা সকলো লোকেই জানে। এতিয়া কথা হ'ল—তুমি ছলে-বলে বা কৌশলেৰে কুবেৰক যেনেতেনে লংকাৰপৰা খেদিবা। নহ'লে—তাৰপৰা লংকপুৰী কাঢ়ি ল'বা। এই দুটাৰ মাজত এটা যদি কৰিব পাৰা, তেনেহ'লে থানহিত নোহোৱা ৰাক্ষসহঁতে থকা ঠাই এডোখৰ পোৱা হ'ব আৰু ৰাক্ষসকুলৰ উদ্ধাৰকৰ্তা হিচাপে সৰ্বলোকত তোমাৰ নাম বৈ বৈ যাব।"

এইবোৰ কথা শুনাৰ পাছত ৰাৱণে কৈ উঠিল, "কিনো কোৱা, ককা? কুবেৰ সম্পৰ্কৰ ফালৰপৰা মোৰ ককাইদেউ হ'লেও আচলতে তেওঁৰ মোৰ পিতৃতুল্য। তেওঁৰ বিৰুদ্ধে তোমাৰ এইবোৰ কোৱা আৰু মোৰ শুনাটোও নিতান্ত অনুচিত।

'দহমুণ্ড ৰাৱণৰ লংকাপুৰী-প্ৰবেশ'

এয়া অতি গৰ্হিত কথা।”

সুমালী মনে মনে থাকিল।

*

তাৰ পাছত এদিন সুমালীৰ অন্যতম মন্ত্ৰী প্ৰহস্তই ৰাৱণক পৰামৰ্শদাতাৰ দৰে ক'লেগৈ, “চোৱাঁ, তোমাৰ ককাৰৰ কথাখিনি ভালকৈ ভাবি চোৱা, ইমান ভাতৃ-ভাৱৰ ফল ভাল নহ'বো পাৰে। অনাদিকালৰেপৰাই ভ্ৰাতৃবিৰোধ জগতত সদায় চলি আহিছে। কেৱল ভ্ৰাতৃবিৰোধৰ কথাইবা কওঁ কিয়, ভগ্নীবিৰোধও কমনে? কি বোলেনে—অদিতি-দিতি হ'ল বায়েক ভনীয়েক। দুয়োজনীয়েই কশ্যপব্ৰহ্মাৰ পত্নী হৈ দেৱতা আৰু ৰাক্ষস-জননী হ'ল। কিন্তু বিষ্ণুৱে ৰাক্ষসসকলক বধ কৰি তিনিও লোকত দেৱতাহঁতৰ এক একচ্ছত্ৰী অধিকাৰ প্ৰতিষ্ঠা কৰিলে। কেৱল এই এই লংকাৰ কথা কওঁ কিয়, এসময়ত সমগ্ৰ ভূমণ্ডলতে ৰাক্ষসবংশৰ আধিপত্য আছিল। তোমাৰ ককাইদেউৰাই— তোমাক কোনো ন-পাঠ শিকোৱা নাই। ভায়েকহঁতৰ মাজত খোৱা-কামোৰা, ছল-কৌশল আগতেও আছিল, এতিয়াও আছে। সেইদেখি কওঁ, মই যি কওঁ— কৰি চোৱাঁ, কৰিয়েই চোৱা এবাৰ, আমাৰ লগতে তোমাৰো মংগল হ'ব।”

ৰাৱণে অলপ ভবা-গুণা কৰিলে আৰু তাৰ পাছত প্ৰহস্তৰ প্ৰস্তাৱত সন্মত হ'ল।

*

ৰাৱণে প্ৰহস্তক নিজৰ দূত হিচাপে বৰ্ণাই কুবেৰলৈ এই পত্ৰ প্ৰেৰণ কৰিলে ঃ

‘পূজ্য ককাইদেউ,

তোমাৰ অধীনত থকা লংকাপুৰী আচলতে ৰাক্ষসসকলৰ পুৰী। তুমি যদি এই লংকাপুৰী ৰাক্ষসসকলৰ মংগলাৰ্থে এৰি দিয়া, সৰ্বলোকত তোমাৰ সদ্‌নাম বিয়পি পৰিব আৰু তোমাৰ প্ৰাণপতিম ভ্ৰাতৃ হিচাপে ময়ো নিশ্চয়েই গৌৰৱ বোধ কৰিম তোমাৰ সদ্‌নাম শুনি।’



ৰাৱণৰ পত্র পঢ়ি কুবেৰে প্রহস্তৰ যোগেদি এইখিনি কথা ৰাৱণক কৈ পঠালে ঃ

'প্রিয় ভ্রাতা ৰাৱণ, মই যেতিয়া মোৰ পিতৃদেৰপৰা এইখন লংকাপুৰী পালোঁ, তেতিয়া ইয়াত কোনো ৰাক্ষস নাছিল। তেতিয়াৰেপৰা মই আৰু যক্ষসকল ইয়াত আছোঁহি। মোৰ নগৰ, নগৰৰ যাৱতীয় সা-সম্পদ তোমাৰো। তুমি ইয়ালৈ আহাঁ, থাকাঁহি। একেজন পিতৃৰ সন্তান হৈ পৃথকভাৱে বসবাস কৰাৰ একো আৱশ্যকতা নেদেখোঁ। আশা কৰোঁ, তুমি মোৰ এই অকপট প্রস্তাৱত সন্মত হ'বা, আৰু অনতিপলমে ইয়ালৈ গুচি আহিবা।'

প্রহস্তক এইখিনি কথা ভ্রাতৃক ৰাৱণক ক'বলৈ অনুৰোধ কৰি, প্রহস্তক বিদায় দিলে, আৰু পুষ্পক ৰথত উঠি কুবেৰ পিতৃৰ ওচৰলৈ বুলি ৰাওনা কৰিলে।

*

সকলো কথা শুনাৰ অন্তত বিশ্রবস্থুৰে কুবেৰক ক'লে, "বোপা, মোৰ কথাখিনি মনপুতি শুনা। এই কথাখিনি ক'বলৈ ৱাৱণো মোৰ ওচৰত আহিছিল। শুনি মোৰ ক্রোধ উঠিল। আচলতে—ৰাৱণে বৰ পোৱাত তাৰ মনত অহংকাৰে বাহ লৈছে। কিন্তু তুমি যদি লংকা এৰি গুচি যোৱাগৈ, তোমাক মই কৈলাসত থাকিবলৈ পৰামৰ্শ দিছোঁ। তাত মন্দাকিনী নদীত আছে অসংখ্য সোণৰ পদুম। সেই ঠাইৰ —কৈলাসৰ পৰ্বতোপৰি সদায় দেৱতা, গন্ধৰ্ব আৰু অপ্সৰী-কিন্নৰীসকল বিহাৰ কৰে। এটা কথা বিশেষভাৱে কৈ থওঁ, এতিয়াই তুমি উগ্রচণ্ড ৰাৱণৰ লগত কাজিয়া-কন্দল নলগাবা।"

*

পিতৃৰ কথা শিৰোধাৰ্য্য কৰি, লংকাপুৰী এৰি, পত্নী-পুত্র আৰু মন্ত্রী-অনুচৰ আদিৰে সৈতে কুবেৰ কৈলাসলৈ গুচি গ'ল।

প্রহস্তই আনন্দৰে সৈতে ৰাৱনক



ক'লেগৈ, এই অভাৱিত-সম্বাদ। আৰু—প্ৰহস্তৰ পৰামৰ্শমতেই ৰাৱণ তৎক্ষণাৎ সপৰিয়ালে লংকাপুৰীলৈ গ'ল। তাত আড়ম্বৰে সৈতে ৰাৱণে সিংহাসনত অধিষ্ঠিত হোৱাৰ যথাযোগ্য আয়োজন কৰিলে। লংকাপুৰীৰ ৰং-ৰূপ সলনি হৈ গ'ল। লংকাপুৰীৰ শাসক হ'ল ৰাৱণ,আৰু আনফালে অলকাপুৰৰী শাসক হ'লগৈ কুবেৰ।

*

বহুকালৰ অন্তত এদিন ৰাৱণ চিকাৰৰ বাবে অৰণ্যলৈ গ'ল। তাত ৰাৱণে এগৰাকী বিৰাট পুৰুষক দেখা পালে। পুৰুষগৰাকীৰ লগত আছিল এগৰাকী অপূৰ্ব ৰূপৱতী নাৰী। ৰাৱণে পুৰুষগৰাকীক সুধিলেগৈ, "এনে গভীৰ অৰণ্যত এইজনীক লৈ অনাই-বনাই ফুৰিছানো কিয়?"

ৰাৱণৰ প্ৰশ্নৰ উত্তৰত পুৰুষগৰাকীয়ে ক'লে, "মই দ্বিতীয়পুত্ৰ। মোৰ নাম হ'ল ময়। তুমি হেমাৰ নাম নিশ্চয় শুনিছা। দেৱতাসকলে হেমাক মোৰ লগত বিবাহ দিছিল। এই ছোৱালীজনী হেমাৰ গৰ্ভজাত, মোৰ কন্যা। এইজনীৰ নাম মন্দোদৰী। চৈধ্য বছৰৰ আগেতে হেমা স্বৰ্গী হ'ল। মই এইজনীৰ কাৰণে সুপাত্ৰ বিচাৰি ওলাইছোঁ। মোৰ দুজন পুত্ৰ-সন্তানো আছিল—এজনৰ নাম মায়াবী, আনজনৰ নাম আছিল দুন্দুভি। —এতিয়া তুমিনো কোন, ক'বানে?"

"মই পুলস্ত্যব্ৰহ্মাৰ নাতি আৰু বিশ্ৰবসুব্ৰহ্মাৰ পুত্ৰ। মোৰ নাম দশগ্ৰীৱ।" ৰাৱণে ক'লে।

ৰাৱণ মহৰ্ষবংশজাত—এই কথা বুজি পাই ময়ে তেওঁৰ জীয়েক মন্দোদৰীৰ বিবাহ ৰাৱণৰ সৈতে পতাটোকে খাটাং কৰি ৰাৱণক কথাটো ক'লে। ৰাৱণ ময়ৰ প্ৰস্তাৱত তৎমুহূৰ্তেই সন্মত হ'ল-আৰু তাতেই অগ্নি প্ৰজ্জ্বলিত কৰি বিবাহো তৎক্ষণাৎ সমাধা কৰা হ'ল।

বিবাহৰ অন্তত ময়ে তেওঁৰ জামাতা



[জোঁৰায়েক] ৰাৱণক এক মহাশক্তিসম্পন্ন আয়ুধ [অস্ত্র] উপহাৰ দিলে। ময়ে তপস্যাৰে এই আয়ুধ আৰ্জিছিল। পৰৱৰ্তী-কালত এই আয়ুধেৰেই ৰাৱণে লক্ষ্মণক যুদ্ধক্ষেত্রত মূৰ্ছিত কৰি পেলাইছিল।

*

পত্নী মন্দোদৰীৰে সৈতে লংকাপুৰীলৈ উভতি যোৱাৰ পাছত ৰাৱণে তেওঁৰ ভ্ৰাতৃবৰ্গৰ বিয়া পাতিলে। বৈৰচনৰ নাতি-নীয়েক বজ্ৰজ্বালাৰ সৈতে কুম্ভকৰ্ণৰ, আৰু শৈলুষ গন্ধৰ্বৰাজৰ কন্যা সৰমাৰ সৈতে সুমলীয়া ভায়েক বিভীষণৰ বিবাহ সমাধা কৰিলে।

*

কিছু কালৰ পাছত মন্দোদৰীৰ গৰ্ভৰ-পৰা মেঘনাদ উপজিল। মেঘনাদৰ কণ্ঠস্বৰ নিচেই কেঁচুৱাকালৰেপৰাই আছিল মেঘৰ গাজনিহেন। বহু কালৰ পাছত লক্ষ্মণৰ হাতত মেঘনাদৰ মৃত্যু ঘটিছিল। এইজন মেঘনাদৰ অন্য নাম আছিল ইন্দ্ৰজিৎ।

*

এদিন ভায়েক কুম্ভকৰ্ণই ৰাৱণক ক'লে, "ককাইদেউ, মোক টোপনিয়ে বৰকৈ জোকাইছে, টোপনিৰ বন্দৱস্ত কৰি দিয়া।"

কুম্ভকৰ্ণ নিদ্ৰা আছিল ব্ৰহ্মাৰ বৰ। ৰাৱণে কুম্ভকৰ্ণৰ নিদ্ৰাৰ বাবে এক বিচিত্ৰ গৃহ নিৰ্মাণ কৰি দিলে। এই গৃহৰ স্তম্ভবিলাক স্ফটিকেৰে নিৰ্মিত হৈছিল, আৰু সোণ, হস্তীদন্ত, মণি-মুকুতা আদিৰে অতি বিচিত্ৰভাৱে বন কৰা হৈছিল।

*

এফালে কুম্ভকৰ্ণ যেতিয়া গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ আছিল, অন্যফালে ৰাৱণে দেৱতা, ঋষি, যক্ষ আৰু গন্ধৰ্বসকলৰ ওপৰত নিজৰ আচৰিত অসাধাৰণ শক্তিৰ প্ৰত্যক্ষ প্ৰতাপ প্ৰদৰ্শন কৰি আছিল।

*

ভায়েকৰ এনে প্ৰমত্ত হস্তীৰৎ উন্মাদ-



অত্যাচাৰৰ সম্বাদ শ্ৰৱণ কৰি কুবেৰ ব্যথিত হ'ল। এইবোৰ কৰি থাকিলে যে বংশ-মৰ্য্যাদাত কলংক হ'ব, সেই কথা মৰ্মে মৰ্মে অনুধাৱন কৰি কুবেৰে ৰাৱণৰ ওচৰলৈ নিজৰ অভিজ্ঞ দূত প্ৰেৰণ কৰিলে।

*

কুবেৰৰ দূতে লংকাপুৰী পাই প্ৰথমতে বিভীষণৰ সৈতে সাক্ষাৎ কৰিলে। বিভীষণে যথাযোগ্য মৰ্য্যাদাৰে দূতক সমাদৰ কৰি, কুবেৰৰ কুশল সম্বাদ লৈ, তাৰ পাছত লংকালৈ আগমনৰ হেতু সুধিলে।

বিভীষণৰ প্ৰশ্নৰ উত্তৰত দূতে তেওঁৰ আগমনৰ হেতু বিভীষণৰ ওচৰত বিতংকৈ বিবৰি ক'লে।

আৰু তাৰ পাছত দূতে কুবেৰৰ বক্তব্য ৰাৱণক ক'লেগৈ। কুবেৰে তেওঁৰ দূতৰ হতুৱাই ৰাৱণক নিম্নোক্ত কথাবোৰ কৈ পঠাইছিল ঃ

'মৰমৰ ভ্ৰাতা, ইতিমধ্যেই তুমি সৰ্ব-লোকত জনাজাত হৈ পৰিছা। তোমাৰ খ্যাতি চতুৰ্দিশে বৈ বৈ গৈছে। কিন্তু মোৰ অনুৰোধ, এইখিনিৰে তুমি তুষ্ট হৈ থাকিলে ভাল হ'ব। আগলৈ তুমি সাধু জীৱন যাপন কৰিবা, মোৰ এই অনুৰোধ, আশা কৰোঁ, দলিয়াই নেপেলাবা। তুমি যে নন্দন কানন ধ্বংস কৰিলা, সেই ধ্বংসকাৰ্য্য মই স্বচক্ষে চাই আহিছোঁ। তুমি বহুসংখ্যক মুনি-ঋষিক বধ কৰাৰ কথাও শুনিছোঁ। দেৱতাসকলৰ ওপৰত তুমি যি অপৰিমেয় অত্যাচাৰ কৰিছা, তেওঁলোকে তাৰ প্ৰতিশোধ ল'বলৈ উন্মুখ হৈছে। মই সদ্যহতে ৰৌদ্ৰব্ৰত নিয়মীয়াকৈ পালন কৰিবলৈ হিমালয়লৈ গৈ, তাত শিৱ-পাৰ্বতীক দেখা পালোঁ। মোৰ বাঁও চকুৰ দৃষ্টি পাৰ্বতীৰ দেহালৈ পৰাত পুৰি গ'ল। মোৰ বাঁও চকুটো এতিয়া পিংগলবৰণীয়া হৈ গ'ল। কিছু-কালৰ পাছত স্বয়ং শিৱই মোক আশীৰ্বাদ কৰিলেহি। তেৱোঁ এসময়ত এই ৰৌদ্ৰব্ৰত

পালন কৰিছিল। শিৱই মোৰ নতুন নামকৰণ কৰিলে। মোৰ নাম হ'ল একাক্ষী পিংগল। মোৰ ৰৌদ্ৰব্ৰত সমাপ্ত হোৱাৰ অন্তত উভতি আহি তোমাৰ অপকীৰ্তিৰ ৰোমহৰ্ষক বিশদ বিবৰণ মই শুনিলোঁ। মই আকৌ কওঁ, যিবোৰ কাৰ্য্যৰদ্বাৰা বংশমৰ্য্যাদাৰ হানি হয়, তেনেকুৱা কাৰ্য্য কদাপি নকৰিবা। ইতিমধ্যে—দেৱতা আৰু ঋষিগণে তোমাক বধ কৰাৰ বাবে উপায় উদ্ভাৱন কৰাত সন্মিলিত হোৱাৰ বাতৰি পাইছোঁ।"



দূতে এইবোৰ কথা কোৱাত দহমুণ্ড ৰাৱণ খঙৰ ভমকত জ্বলা জুইহেন হৈ উঠিল। ৰাৱণে দূতক ক'লে, "এইবোৰ অবাইচ-অসভ্য কথা মোৰ আগত কোৱাৰ কাৰণে তোমাক আৰু কুবেৰক মই যে কি শাস্তি দিম ভাবি উলিয়াব পৰা নাই। কুবেৰৰ ইমানেই সাহস হ'লনে! শিৱৰ মৰম পোৱাৰ কথাটোও মোক ক'বলৈ কৈছে সি! হাজাৰ হওক—সি বয়সত পিতৃতুল্য, আৰু সেই হিচাপে ইমানদিন তাক সন্মান কৰি আহিছোঁ ; নহ'লে—কেতিয়াবাই তাক মাৰি পেলালোহেঁতেন। ঠিক আছে, মই তিনিও লোক অধিকাৰ কৰি ল'ম। মোক উপদেশ দিয়াৰ ধৃষ্টতাৰ প্ৰাপ্য সি আৰু তাৰ লগাভগাহঁতেও পাব।" এই বুলি কৈ, কুবেৰৰ দূতক বধ কৰি, ৰাৱণে ৰাক্ষসহঁতক খাবলৈ দিলে আৰু তৎক্ষণাৎ ৰথত উঠি তিনিও লোক জয় কৰিবলৈ ৰাওনা কৰিলে।

*

পোন প্ৰথমে কুবেৰক শিক্ষা দিয়াটোকে ৰাৱণে স্থিৰ কৰিলে। ৰাৱণে তেওঁৰ তেওঁৰ ছজন মন্ত্ৰী—মহোদৰ, প্ৰহস্ত, মাৰীচ, শুষ্ঠ, শুখ, সাৰণ আৰু ধূম্ৰাক্ষক লগত লৈ গ'ল। অনতিপলমে সানুচৰ ৰাৱণে কৈলাস পালেগৈ। যক্ষসকলে ৰাৱণক চিনিব পাৰি কুবেৰক তৎক্ষণাৎ সম্বাদটো দিলেগৈ। ৰাৱণে যে ৰণ দিবলৈ ওলাইছে,

সেই কথা কুবেৰে বাৰুকৈ বুজি পালে।

কুবেৰে ৰাৱণৰ বিৰুদ্ধে ৰণ দিবলৈ যক্ষসকলক পঠালে। যক্ষসকলে ৰাৱণ আৰু তেওঁৰ মন্ত্ৰীহঁতৰ বিৰুদ্ধে যুঁজি থাকিল। ৰাৱণৰ একো একোজন মন্ত্ৰীয়ে এহেজাৰকৈ যক্ষৰ বিৰুদ্ধে যুঁজি থাকিল। ৰাৱণে কুবেৰৰ অনুচৰ যক্ষসকলক খেৰ-কুটাৰ দৰে পুৰি মাৰিলে।

*

এই যক্ষসকলৰ মাজত থকা সংযোধ-কণ্টক নামৰ যক্ষই তেওঁৰ চক্ৰায়ুধেৰে মাৰীচক পৰ্বতৰপৰা বগৰাই পেলালে। ৰাৱণে অলকাপুৰীৰ তোৰণ চূৰ্ণ কৰি সোমাবলৈ ধৰোঁতেই বীৰ যক্ষ এগৰাকীয়ে ৰাৱণক প্ৰচণ্ডভাৱে বাধা দিলে। ৰাৱণে এইগৰাকী যক্ষক ফালি পেলালে, আৰু এই দৃশ্য দেখি আন যক্ষসকলে ভিৰাই লৰ ধৰিলে ৰাৱণ সদৰ্পে আগবাঢ়ি গ'ল।

তাৰ পাছত কুবেৰে মণিভদ্ৰ নামৰ মহাযক্ষক ৰাক্ষসহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পঠালে। চাৰি সহস্ৰ যক্ষক লগত লৈ মণিভদ্ৰ আগবাঢ়িল; উভয় পক্ষৰ মাজত ভয়ংকৰ যুদ্ধ আৰম্ভ হ'ল, তেজৰ তুমুৰলি বৈ যাবলৈ ধৰিলে। প্ৰহস্ত, মহোদৰ আৰু মাৰীচে মায়া মন্ত্ৰবলেৰে মুহূৰ্ততে একসহস্ৰকৈ যক্ষক মাৰি পেলালে।

*

মণিভদ্ৰই দাৰুণ যুদ্ধ চলাই গ'ল। ধূম্ৰাক্ষই মণিভদ্ৰক প্ৰচণ্ডভাৱে আঘাত কৰিছিল। সেই আঘাত সহ্য কৰিও মণিভদ্ৰই তেওঁৰ বিৰাট টাঙোনেৰে এমাৰ মৰাত ধূম্ৰাক্ষ চিৎ ভোলোঙা খাই পৰিল। এইবাৰ স্বয়ং ৰাৱণে মণি-ভদ্ৰক আক্ৰমণ কৰিলে। ৰাৱণে মণিভদ্ৰৰ মস্তকোপৰি আঘাত কৰাত মণিভদ্ৰৰ মস্তকৰ মুকুট একতীয়া হৈ পৰাত তেওঁৰ নাম হৈছিল পাৰ্শ্বমৌলী।

ঘমঘণ্ট

চাকৰিটি পায়েই চকৰিত সোমাল ৰমাপতিয়ে। পঢ়া-লিখা হ'ল সাং, লগে লগে পালে কাম—কাম জমিদাৰৰ অধীনত। আৰু অলপো অবাব দেৰি নকৰি কৰালে বিয়া—গিৰিজাবালাক। ল'লে ঘৰ ভাড়ালৈ, মদনপুৰ নগৰত লৈ, গিৰিজাৰে সৈতে বসবাস কৰিবলৈ ধৰিলে।

গিৰিজা গাঁৰৰ জীয়ৰী, তাই জীৱনধাৰা ধীৰ-স্থিৰ। কেনো কথাতে তাই খৰখেদা নকৰে, কৰিব নোৱাৰে। আৰু তাৰ ফলত, চাকৰিলৈ ওলোৱাৰ আগতে ৰমাপতিক তাই ভাতমুঠিও দিব নোৱাৰে ঠিক সময়ত, ৰমাপতিৰ নিতৌ পলম।

এদিন ৰমাপতিয়ে গিৰিজাক ক'লে, "চোৱাঁ, প্ৰত্যেকদিন মালিকে মোক গালি পাৰে পলম হোৱাৰ কাৰণে। কাইলৈ যেনেকৈয়েই নহওক মোক সোনকালে ভাতমুঠি দিবা।"

ৰাতি গিৰিজাৰ দুচকুত টোপনি নহা হ'ল। তাই মাজনিশাতে ৰান্ধন-বাঢ়নৰ কাম আৰম্ভ কৰিলে। তাৰ ফলত, ৰমাপতি অতি সোনকালে ওলাব পৰা হ'ল।

ওলাই—বাটত ভৰি দিয়াৰ লগে লগেই অচিনাকি মানুহ এজনে ৰমাপতিৰ হাতত ধৰি ক'লে, "দুবছৰৰ পাছত যে তোমাৰ লগত আকৌ দেখাদেখি হ'ব—ভাবিলেও আচৰিত মানিব লাগে। আজিৰ দিনটো মোৰ জীৱনৰ এক স্মৰণীয় দিন।"

হতভম্ব ৰমাপতিয়ে মানুহজনক ক'লে, "কিন্তু—মই দেখোন আপোনাক চিনি নাপালোঁ। কেতিয়াবা দেখাও মনত নপৰে।"

সুৰঞ্জন গোহাঞিবৰুৱা



মানুহজনে হো হোৱাই হাঁহি উঠি ক'লে, "সঁচ্চা, তুমি বৰ জেদী মানুহহে! দুবছৰৰ আগতে তোমাৰ বিয়া খাবলৈ নহা বাবে এতিয়াও খং মাৰ যোৱা নাই দেখিছোঁ। কিন্তু মই কিয় আহিব নোৱাৰিলোঁ, তোমাক তো লিখি জনাইছিলোঁ, বীৰেশ!"

অবাক ৰমাপতিয়ে পুনৰ ক'লে, "চাওঁক, মোৰ নাম বীৰেশ নহয়, আৰু এইদৰে ইয়াত আপোনাৰ লগত কথা পতাৰ সময়ো মোৰ নাই। এতিয়াই কৰ্মস্থললৈ যাব লাগিব।" ৰমাপতিয়ে খোজ ল'লে।

আৰু লগে লগে মানুহজনে পুনৰ খপ্‌কৈ ৰমাপতিৰ হাতখনত ধৰি ক'লে, "চোৱাঁ, তুমি যদি অস্বীকাৰ কৰাঁ, তোমাৰ সোঁহাতৰ তিলেৰে মই প্ৰমাণ কৰিম।"

বিৰক্ত ৰমাপতিয়ে ক'লে, "চোৱাঁ, মোৰ গাত ক'তো তিল-টিল নাই। কেৱল বাঁও হাতৰ কেঞা আঙুলিতহে তিল এটা আছে।" এই বুলি কৈয়েই ৰমাপতিয়ে পুনৰ খোজ বঢ়ালে।

ৰমাপতিৰ লগে লগে গৈ থাকিল আগন্তুক মানুহজন। মানুহজনে পুনৰ ক'লে, "বেয়া নাপাব হেৰি। মোৰ বন্ধু বীৰেশৰ সৈতে আপোনাৰ যে ইমান মিল! বৰ লাজৰ কথা হ'ল!"

গধূলিৰ আগে আগে ৰমাপতি ঘৰলৈ উভতি আহিল। গিৰিজাই সুধিলে, "আজি ঠিক সময়ত কামৰ ঠাই পাইছিলাগৈনে?"

ৰমাপতিয়ে পুৱাৰ ঘটনাৰ কথা গিৰিজাক ভাঙি-পাতিয়েই ক'লে। শুনি গিৰিজাই কৈ উঠিল, "দুপৰীয়া কিন্তু তোমাৰ বন্ধু বীৰেশ ইয়ালৈ আহিছিল।"

"কিন্তু বীৰেশ নামৰ কোনো বন্ধু তো মোৰ নাই!" বিস্মিত ৰমাপতিয়ে কৈ উঠিল, "বীৰেশ এতিয়া ক'ত আছে?"

"দুপৰীয়া খাই-বৈ শুইছিল। অলপ আগতে তেওঁ বজাৰলৈ ওলাল।"

"কোনটো কোঠাত শুইছিল সি?"

ৰমাপতিয়ে সোধাত গিৰিজাই ৰমাপতিক সেই কোঠাটোলৈ লৈ গ'ল আৰু তথকা এটা বাকচলৈ আঙুলিয়াই গিৰিয়েকক ক'লে, "এই বাকচটো তেওঁৰ।"

ৰমাপতিৰ মনত সন্দেহ উপস্থিত হ'ল। ৰমাপতিয়ে খৰধৰকৈ বাকচটো খুলি চালে যে বাকচটোৰ ভিতৰত চাৰিখন ইটা সজাই থোৱা হৈছে।

"নিশ্চয় এটা প্ৰতাৰক। চোৱাচোন—চোৱা আমাৰ ঘৰৰ-পৰা কিবাকিবি লৈ গ'লেইনে কি চোৱা ভালকৈ।"

তাৰ পাছত দেখা গ'ল—চাৰিশ নগদ টকা, আৰু গিৰিজাৰ খাৰুযোৰ নাই।

ৰমাপতিৰ খং উঠিল গিৰিজাৰ ওপৰত। ৰমাপতিয়ে গিৰিজাক গিৰিজনি মাৰি ক'লে, "তুমি যে একেবাৰে আজলীৰো আজলী, তাকে প্ৰমাণ কৰিলা। অচিনাকি মানুহক কোনোবাই খুৱাই-বুৱাই বিছনাত শোৱাই থয়নে?"

"মানুহজন যে প্ৰতাৰক—মই কেনেকৈ জানিম? তোমাৰ বাঁও হাতৰ কেঞা আঙুলিত থকা তিলটোৰ কথাও আনকি ক'লে মোক। তোমাৰ সেই আঙুঠিটোৰ কথাও ক'লে। তাৰ পাছতোনো মানুহজনক খাবলৈ-জিৰাবলৈ নিদিওঁ বুলি কওঁ কেনেকৈ?" গিৰিজাই ক'লে।

ৰমাপতিয়ে বুজি পালে যে আগবেলা বাটত লগ পোৱা মানুহটোৱেই এইটো



প্ৰতাৰক। ৰমাপতিয়ে ক'লে, "সি দগধাই বেছ কায়দা কৰি মোৰৈপৰাই মোৰ সম্পৰ্কে জানি লৈছিল।"

"মই তাক আনকি এখন্তেক বহিবলৈ নিদিবলৈকো বহুত চেষ্টা কৰিছিলোঁ। মই তো আজলীৰো আজলী, ঘোকোট গাঁৱৰ ছোৱালী ; তুমিনো অজান-অচিনাকি লোকক নিজৰ নাম, তিল, আঙঠি আদিৰ বিবৰণ দিছিলা কিয় ?" গিৰিজাই ক'লে।

এই কথাত দুয়োৰো মাজত কাজিয়া-কন্দল লাগিল, আৰু তাৰ ফলত দুয়ো ৰাতি নাখাই-নবৈ শুলে।

পাছদিনা ৰমাপতিয়ে চুবুৰীয়া গাঁৱৰ নাৰায়ণক লৈ আহিলগৈ। নাৰায়ণৰ নিজৰ ঘৰ-দুৱাৰ একো নাছিল। নাৰায়ণ আছিল। গিৰিজাৰ সম্পৰ্কীয় জেঠাদেউ। নাৰায়ণৰ বৰলা ; কিন্তু ঘৰপতা ককা।

ৰমাপতিয়ে নাৰায়ণজেঠাক আথেবেথে বহুৱাই জা-জলপান জোখে-জোখাৰে খুৱাই পাম তাণোলেৰে মান ধৰাৰ অন্তত গিৰিজালৈ আঙুলিয়াই ক'লে, "এইৰ লগত বিয়া পতাৰ আগতে আপুনি মোক তিনিষাৰ মিছা কথা কৈছিল।"

"কিনো ?" নাৰায়ণে সুধিলে।

"আপুনি কৈছিল যে—গিৰিজা বৰ কামিলা, বুদ্ধিমতী আৰু নম্ৰ। কিন্তু মোৰ প্ৰত্যক্ষ অভিজ্ঞতা হ'ল—আপোনাৰ কথা ধুমুৰ মিছা। মই কামলৈ ওলোৱাৰ আগতে তাই ৰান্ধি দিব নোৱাৰে। গতিকে—তাইক কামিলা বুলি ক'ব নোৱাৰি। এটা নেদেখা-নজনা-নুশুনা-নিচিনা মানুহক খুৱাই-বুৱাই ঘৰত বিছনা পাৰি শোৱাই ঘৰৰ ধন-সোণ নোহোৱা কৰাজনীক বুদ্ধি-মতী বুলি কোৱা মোৰ পক্ষে টান। আৰু তথাপি তাই মোকহে চকু পকাই ধৰে যদি—তাইক আপুনিও নম্ৰ বুলি ক'বনে ?" বিৰক্ত ৰমাপতিয়ে ক'লে।

গিৰিজাই কান্দি কান্দি নাৰায়ণক সকলো কথা ভাঙি-পাতি ক'লে।

সকলো কথা বিশদভাৱে শুনাৰ অন্তত ঘৰপতা ককা নাৰায়ণে ক'লে, "এই প্ৰতাৰকটোৰ বাবে তোমালোকৰ মাজত এজনৰো দায়-দোষ নাই। আচলতে— ঘৰত বয়সিয়াল কোনোবা নাথাকিহে এনেধৰণৰ ঘটনা ঘটে। যি কি নহওক, এতিয়াৰপৰা এইবোৰ আৰু নহ'ব। তোমালোকৰ চাউলৰ লগতে আৰু আধা-মুঠিমান চৰুত পেলাই দিবা, বছ, মোৰো হৈ যাব।" এই বুলি কৈ, গমোছাখন কান্ধত পেলাই, নাৰায়ণে নাৰায়ণৰ নাম লৈ পুখুৰীলৈ গ'ল গা-পা ধুবলৈ।

এইদৰে এপষ পাৰ হ'ল, দুপষ পাৰ হ'ল; কিন্তু নাৰায়ণ আৰু ৰমাপতিৰ ঘৰৰ চৌহদ পাৰ নোহোৱা হ'ল।

এদিন ৰমাপতিয়ে অতি বিৰক্ত হৈ গিৰিজাক সুধিলে, "তোমাৰ মৰমৰ জেঠাদেউ আৰুনো কিমান দিন থাকিব?"

'মইনো কওঁ কেনেকৈ'? মাতি আনিলা তুমি, দায়িত্বো তোমাৰ।" গিৰিজাই ক'লে।

ভাবি ভাবি-গুণি গুণি—ৰমাপতিয়ে উপায় এটা উলিয়ালে। তাৰ দূৰ সম্পৰ্কীয় খুৰীদেউৰ এজনী ছোৱালী আছিল বৰ দন্দুৰী। তাইৰ মুখৰ আগত কোনো তিষ্ঠিব নোৱাৰে। সেই কাৰণে তাইক কোনেও বিয়াও নকৰোৱা হ'ল।

ৰমাপতিয়ে ঘৰপতা ককা নাৰায়ণক ক'লে কথাটো। অৱশ্যে তাইৰ দন্দুৰী



স্বভাৱৰ কথাটো নক'লে। ৰমাপতিয়ে তাইৰ কাৰণে দৰা বিচাৰি দিবলৈ নাৰায়ণক খাটিলে।

ৰমাপতিৰ কথাত ৰাজী হৈ পাছদিনাই নাৰায়ণ দৰা বিচাৰি ওলাল। তেতিয়াহে ৰমাপতি আৰু গিৰিজাই স্বস্তিৰ উশাহ ল'লে। সিহঁতহালে ভাবিলেঃ ত্ৰিছ বছৰীয়া নাওমান ছোৱালীৰ কাৰণে দৰা বিচাৰি উলিউৱাটো মুখৰ কথা নহয়।

কিন্তু—কথা আচৰিতেই, তৃতীয় দিনাই ঘৰপতা নাৰায়ণ পুনৰ ওলালহি। অবাক-আচৰিতৰ মাপতিয়ে সুধিলে, "ইম্মান সোনকালেই দৰা বিচাৰি পোৱা হ'লনে?"

"পালোঁ তো!" ঘৰপতা নাৰায়ণে হাঁহি মাৰি ক'লে, "তোমালোকে ভাল পাবানে বেয়া পাবা ক'ব নোৱাৰোঁ, পিছে মই যে কৰাম বিয়া, তাইকে দিলোঁ হিয়া। ময়ো তাইক দেখি মোহিত, তায়ো মোক দেখি ভোল; আমি দুয়ো হ'লোঁ বিভোল। তোমাৰ খুৰীদেউৰাই অহা বুধবাৰে বিয়াৰ লগন কৰিলে খাটাং, ময়ো দিলো সঠং; নতুন জীৱন বুলি কথা, ময়ো পলম নকৰোঁ বৃথা। পিছে—এই প্ৰসংগতে তোমালোকৰ লগত আছে অলপ কথা।"

"কওক, কিনো সেই কথা? নহ'লে সুশুনালৈকে বিষাই থাকিব মাথা।" ৰমাপতিয়ে তালক তালে ক'লে।

"তোমালোকে কৰিলা কত কাজিয়া-বিবাদ; কিন্তু মইহে পালোঁ তাৰ সুফল-পৰসাদ।" এই বুলি কৈ ৰমাপতিয়ে দুয়োলৈ চাই, নীৰৱ হাঁহিৰে মুখখন উজলাই ক'লে, "তোমালোকৰ ঘৰুৱা ঘমঘণ্টইহে মুকলি কৰিলে মোৰ কপালৰ গাঁঠি, নহ'লে মই কেতিয়াও ল'ব নোৱাৰিলোহেঁতেন নিজৰ ঘৰখন পাতি; এই বিষয়ে হৈ আছিলোঁ অজ্ঞ, এতিয়া হ'লোঁ বিজ্ঞ আৰু কৃতজ্ঞ।"





দানপত্ৰ

যিৰুছালেম নগৰত এগৰাকী বিখ্যাত বণিজাৰ আছিল তেওঁৰ একেটি মাত্ৰ পুত্ৰ। বণিজাৰ আব্ৰাহাম বহু দূৰ-দূৰণিলৈ ওলাই যায় বেপাৰ-বণিজৰ কামলৈ আৰু ল'ৰাটো ঘৰত থাকি পঢ়া-লিখা কৰে। বণিজাৰ আব্ৰাহামৰ লগত এজন কৰ্মচাৰী ক্ৰীতদাসো আছিল।

এবাৰ দূৰ দেশত থাকোঁতে বণিজাৰ অতি অসুস্থ হৈ পৰিল। আব্ৰাহামে বুজি পালে যে তেওঁৰ দিন চমু চাপি আহিছে। তেতিয়া আব্ৰাহামে ভাবিলে ঃ মই যদি মোৰ সকলো সা-সম্পদ পুত্ৰৰ নামত দানপত্ৰ উইল লিখি ক্ৰীতদাসটোৰ হাতত দিওঁ, সি হয়তো পুত্ৰক প্ৰবঞ্চিত কৰিব কৰিব, কৌশল কৰি ঠগিব। তথাপি, উপায় নাই। কিবা এটা কৰিব লাগিব।

আব্ৰাহামে এখন দানপত্ৰ [উইল] লিখোৱাবলৈ সেইক্ৰীত দাসটোক এজন পৈণত লিখাৰু বিচাৰি লৈ আহিবলৈ নগৰলৈ পঠালে। ক্ৰীতদাসে নগৰৰপৰা লৈ অহা লিখাৰুৱে দানপত্ৰ [উইল] লিখিলে। এই দানপত্ৰ অনুসাৰে আব্ৰাহামৰ সকলো সা-সম্পদৰ উত্তৰাধিকাৰী হ'ব এই ক্ৰীতদাস ; পিছে সম্পত্তি অথবা ক্ৰীতদাস—এই দুটাৰ মাজত যিকোনো এটাৰ অধিকাৰী হ'ব পাৰিব আব্ৰাহামৰ পুত্ৰ আৰিয়েল—এয়ে আছিল দানপত্ৰৰ [উইল] সাৰকথা। এই দানপত্ৰ যুগুতোৱাৰ কেইদিনমানৰ পাছত বণিজাৰ আব্ৰাহাম ঢুকাল, আৰু ক্ৰীতদাস যিৰুছালেমলৈ উভতি গ'ল।

কিছুদিনৰ অন্তত আব্ৰাহামৰ পুত্ৰ

‘ইহুদী লোক-কাহিনী’

আৰিয়েলে ক্ৰীতদাসৰপৰা তাৰ পিতৃ-সম্পত্তি ল'ব খোজাত ক্ৰীতদাস কুৰিয়েনে আব্ৰাহামৰ দানপত্ৰ [উইল] খন ল'ৰাটোক দেখুৱাই ক'লে, "চোৱা, তোমাৰ দেউতাৰাই মৃত্যুৰ আগে আগে এইখন লিখোৱাই মোক দিছিল। দানপত্ৰত লিখামতে, তোমালোকৰ সকলো সা-সম্পদৰ গৰাকী এতিয়া মইহে। পিছে— এই দানপত্ৰৰ অনুসাৰে—হয় সা-সম্পদ নতুবা মোক তুমি নিব পাৰিবা।"

দানপত্ৰখন পঢ়ি আৰিয়েলে একো বুজি নাপাই তাৰ দেউতাকৰ বন্ধু এগৰাকীৰপৰা এই বিষয়ে পৰামৰ্শ খুজিলে।

আব্ৰাহামৰ বন্ধু ৰুফানছ' আছিল বুদ্ধিমান ব্যক্তি। তেওঁ সকলো কথা শুনাৰ অন্তত ক'লে, "বোপা, তুমি এই কথাত মুঠেই চিন্তা নকৰিবা। তোমাৰ দেউতাৰাই অতি বিচক্ষণতাৰে দানপত্ৰ লিখোৱাইছিল। তুমি—কাইলৈ তোমালোকৰ সেই ক্ৰীতদাসক আৰু লগতে দানপত্ৰখনো লৈ বিচাৰালয়লৈ আহিবা। তাত মই যি ক'ম, তুমি তাকে কৰিবা।"

বিচাৰালয়ত ৰুফানছ'ই আৰিয়েলক কিছুমান কথা আন কোনেও নুশুনাকৈ বুজাই কৈ দিলে। বিচাৰকে বণিজাৰ আব্ৰাহামৰ দানপত্ৰখন পঢ়াৰ পাছত আৰিয়েলক সুধিলে, "এতিয়া—তোমাক কি লাগে কোৱাঁ। তোমাৰ পিতৃ-সম্পত্তিনে ক্ৰীতদাসক ল'বা?"

ৰুফানছ'ই তাক শিকাই দিয়া মতে আৰিয়েলে টপৰাই কৈ উঠিল, "মই আমাৰ ক্ৰীতদাসক ল'ম।"

বিচাৰকে ৰায় দিয়ামতে এই ক্ৰীতদাসৰ মালিক হ'ল এতিয়া বণিজাৰ আব্ৰাহামৰ পুত্ৰ আৰিয়েল। ক্ৰীতদাস কোনো বিধৰ সম্পত্তিৰ গৰাকী হোৱা যিহেতু আইনমতে নিষিদ্ধ, সিহেতুকে আৰিয়েল সা-সম্পদৰো মালিক হ'ল।



চুলুঙালিৰ চূণ-খাৰ

কোনোবা এখন গাঁৱত চাৰিজন আড্ডাবাজ অকাজভাগী যুৱক আছিল। এই যুৱক চাৰিজনে সদায় অ'ত ত'ত আড্ডা চাকি ফুৰিছিল, নানান ধৰণৰ ধূৰ্তামিৰে লোকৰ অনিষ্ট কৰিছিল।

এখন গাঁৱৰ এমূৰত এখন ধৰমশালা আছিল। এজন নতুন বেপাৰীয়ে ধৰম-শালাত থাকিবলৈ ল'লে। এই বেপাৰীজন আছিল পোছাকপাতিৰ বেপাৰী। এইজন বেপাৰীৰ বয়-বস্তুখিনি কেনেবাকৈ আত্মসাৎ মন গ'ল আড্ডাবাজ যুৱককেইজনৰ।

আড্ডাবাজ যুৱকহঁতৰ মাজত এটাই বেপাৰীক ক'লে; "হেৰি আমি অলপ ধেমালী-ধুমুলা কৰি, বাজীৰ খেলা খেলি ভাল পাওঁ। আশা কৰোঁ, আমাৰ লগত খেলিবলৈ আপুনিও বেয়া নাপাব। —আমি পাঁচোজনেই নিজ নিজ অভিজ্ঞতাৰ কথা ক'ম। যিজনে সেইবোৰ কথা অবিশ্বাস কৰিব, সেইজনেই কওঁতাৰ ক্ৰীতদাস হ'ব লাগিব। —খেলিবনে?"

বেপাৰী মানুহজন আড্ডাবাজ যুৱক-কেইটাৰ কথাত সন্মত হ'ল। তেতিয়া এটাই ক'লে, মই "মোৰ মাৰ পেটৰ ভিতৰত থাকোঁতে, মায়ে দেউতাক কৈছিল এজোপা ওখ গছৰপৰা ফল পাৰি দিবলৈ। কিন্তু ইমান ওখ গছৰপৰা ফল পাৰি অনা সম্ভৱ নহয় বুলি দেউতাই মাক ক'লে। তেতিয়া মই মাৰ পেটৰপৰা মনে মনে ওলাই আহি, গছত উঠি ফল পাৰি আনি, আৰু পেটৰপৰা ওলাই অহাদি পুনৰ পেটত সোমাই গৈ শুই থাকিলোঁ।

ইমানলৈকে কোৱাৰ পাছত যুৱক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

চাৰিওটাই বেপাৰীৰ চকুলৈ চালে। বেপাৰীয়ে বাধ্যত পৰি ক'লে যে এয়া সম্পূর্ণ বিশ্বাসযোগ্য ঘটনা। কওঁতাৰ বাহিৰে আন আড্ডাবাজ যুৱক তিনিটায়ো এই কথাবোৰ বিশ্বাসযোগ্য বুলি ক'লে।

তাৰ পাছত দ্বিতীয় যুৱকে ক'লে, "মই যেতিয়া মাত্র সাতদিন বয়সৰ, তেতিয়া চিকাৰলৈ ওলাইছিলোঁ; হাবিত এজোপা প্ৰকাণ্ড তেতেলী গছত উঠি তেতেলী খাই পেট ভৰালোঁ। পেট পূৰাই তেতেলী খোৱাত মই গছৰ ডালতে টোপনিত লাল-কাল দিলোঁ। কিন্তু ইমান টোপনি-গতুৰা অৱস্থাত গছৰপৰা নামি অহা সম্ভৱ নহয় দেখি মই খটখটি এখন লৈ আহিবলৈ টোপনিৰ মাজতে গাঁৱলৈ গ'লোঁ। তাৰ পাছত নামি আহিলোঁ।"

বেপাৰীয়ে এই কাহিনীটিও বিশ্বাস কৰিলে। আৰু লগে লগে আন তিনিটায়ো বিশ্বাস কৰা বুলি ক'লে।

তাৰ পাছত তৃতীয় যুৱকে ক'লে, "মই নিচেই কেঁচুৱা বয়সত এটা শহা পহুক খেদি গৈছিলোঁ। আৰু গৈ গৈ শহা পহুটোৰ পিছে পিছে জোপোহাৰ ভিতৰলৈ সোমালোঁগৈ। তেতিয়া তাত থকা বাঘ এটাই মোক গিলি খাবলৈ হাওঁৰণি মাৰি মুখখন মেলিলত মই তাক ক'লোঁ যে মই শহাক খেদিহে হাবিত সোমালোঁহি, তাক বধিবলৈ নহয়। কিন্তু তথাপি

বাঘটোৱে পুনৰ মোক খাবলৈ আগুৱাই অহাত মই মোৰ বাঁওহাতেৰে কাণটলীয়া চৰ এপাত শোধালোঁ বাঘটোক। আৰু লগে লগে বাঘটোৱে সিপুৰী পালেগৈ।"

এইবাৰো বেপাৰীৰে সৈতে আটাই-কেইটায়েই বিশ্বাসযোগ্য বুলি ক'লে।

তেতিয়া চতুৰ্থ যুৱকে ক'লে' "যোৱা বছৰ মই মাছ মাৰিবলৈ ওলাইছিলোঁ। কিন্তু অন্যান্য মাছমৰীয়াই ক'লে যে সিহঁতে বহু চেষ্টা কৰিও আনকি এটা মিছামাছো পোৱা নাই। এই কথাত মোৰ খং উঠিল, আৰু কিয় সিহঁতে মাছ পোৱা নাই—তাৰ ৰহস্য চাই অহাৰ বাবে পানীত ডুব দি একেবাৰে তলী পালোঁগৈ। পাই দেখিলোঁ যে—প্ৰকাণ্ড বৰালী এটাই আন সকলুৱা মাছবিলাকক ধৰি খোৱাতহে এই বিপত্তি হৈছে। মই সেই বৰালীটো ধৰি, চৌকা জ্বলাই, সেইটোক পুৰি খাই, পানীৰ তলৰপৰা উঠি আহিলোঁ।"

এই গল্পটোও তেনেই বিশ্বাসযোগ্য বুলি বেপাৰীয়ে ক'লে।

আৰু এইবাৰ কোৱাৰ পাল পৰিল বেপাৰীৰ। বেপাৰীয়ে ক'লে, "এসময়ত মোৰ এডৰা উদ্যান আছিল। এই উদ্যানত এজোপা বিচিত্ৰ গছ আছিল। গছজোপা ৰুই দিলোঁ; কিন্তু কেইবছৰমানৰ পাছতো আনকি এটা পাতেও কুঁহি নেমেলিলে। তাৰ পাছত এদিন গছজোপাৰপৰা চাৰি-

ডাল ঠাৰি ওলাল। প্ৰতিডাল ঠাৰিত এটাকৈ ফল উপজিল। চাৰিডাল ঠাৰিৰপৰা চাৰিটা ফল পাৰি অনাৰ লগে লগে ফলকেইটা চাৰিজন যুৱকলৈ ৰূপান্তৰিত হ'ল। ইহঁতকেইটাক মই মোৰ ক্ৰীতদাস হিচাপে ৰাখিলোঁ, এই উদ্যানৰ কামত লগালোঁ। কিন্তু সিহঁতকেইটা একেবাৰে ধোদৰ পচলা। কিছুদিনৰ পাছত সিহঁত পলাই গ'ল। আৰু তাৰ পাছত—বহুত দিনৰ পাছত সিহঁতকেইটাক এইখন গাঁৱত বিচাৰি পালোঁ। তোমালোকেই হ'লা সেই চাৰিজন। এতিয়া মোৰ লগত ব'লা।"

এই গল্প শুনি আড্ডাবাজ চাৰিটাৰ মুখৰ মাত হৰিল। সিহঁত বিমোৰত পৰা যেন হ'ল। গল্পটোক সঁচা বুলি ক'লেও বেপাৰীজনৰ ক্ৰীতদাস হ'ব লাগিব, মিছা বুলি কলেও ক্ৰীতদাস হ'ব লাগিব।

ধৰ্মশালাত উপস্থিত থকা এইবোৰ নাভূত-নাশ্ৰুত গল্পৰ অন্যান্য শ্ৰোতাই যুৱকহঁতক ক'লে, "ইমান সময় ধৰি আটাইবোৰ গল্পকে সঁচা বুলি কৈছিলা দেখোন, এতিয়া একো কোৱা নাই কিয় তোমালোকে?" সিহঁত তথাপি নিমাত আৰু তলমুৰ হৈয়েই থাকিল।

তেতিয়া বেপাৰী মানুজনে ক'লে, "তোমালোকে মোক জোকাই লৈছিলা, মোৰ গ'ল কটবাত স্মুৰাই লৈ মোৰ বেপাৰৰ পোছাক-পাতিখিনি আত্মসাৎ কৰিব খুজিছিলা। এতিয়া তোমালোকে যদি মোৰ লগত যাবলৈ মান্তি নোহোৱা, তেনেহ'লে তোমালোকৰ পিন্ধনত থকা পোছাকপাতিখিনি মোক দিব লাগিব। এইদৰে তোমালোকৰ অতি চালাকিৰ শাস্তি দিম মই।"

আড্ডাবাজ চুলুংবুধীয়া যুৱক চাৰিটাই নিজৰ নিজৰ পিন্ধনত থকা কাপোৰখিনি বেপাৰীক দিলে আৰু সেইখিনি লৈ বেপাৰী মানুহজন তাৰপৰা গুচি গ'ল।

খৰাং খবৰ

চিলি নামৰ দেশত অটকামা নামৰ এক বিৰাট খৰাং অঞ্চল আছে। এই অঞ্চলক পৃথিৱীৰ অধিক আটাইতকৈ খৰাং অঞ্চল বুলি কোৱা হয়। কিয়নো, যোৱা চাৰিশ বছৰতো ইয়াত বৰষুণ হোৱা নাই বুলিয়েই ক'ব পাৰি।

পাতালী ফুল

অস্ট্ৰেলিয়াত ৰিজান্‌খেলিয়া গাৰ্ডেনেৰি নামৰ এবিধ ফুল মাটিৰ তলতহে ফুলে।

মহাবৃক্ষ

সমগ্ৰ পৃথিৱীৰ মাজত সবাতোকৈ ডাঙৰ গছজোপা কেলিফ'ৰ্নিয়াত আছে। ৰাইজে এই গছজোপাক মৰমতে জেনাৰেল শ্বেৰ্মান্ বুলি মাতে। এই গছজোপাৰ উচ্চতা ২৭২ ফুট, ইয়াৰ ব্যাস ৭৯'১ ফুট, আৰু বিজ্ঞানীসকলৰ মতে এই মহাবৃক্ষ ২০৩০ টন গধুৰ।

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেন্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 99 2016 AS

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ ডিছেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ অকট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কল্পনাৰে   দ্বিতীয় ফটো : প্ৰস্তুতিৰে

পুৰস্কাৰ প্ৰাপক : শ্ৰীসীতাদেৱী দাস, শুৱালকুছি, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

OR

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিৱেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly
delights
CLARION/NC/8636

পাৰ্লে
ৰাম আৰু শ্যামৰ
এক অদ্ভুত অপাৰ্থিৱৰ লগত
ভেটা-ভেটি
POPPINS